সংবাদ সেৱাৰে, দেশৰ সেৱাত ৩১ বছৰৰ এক অবিৰত যাত্ৰা...

গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

Govt. of Assam Approved

Postal Redg. No. GH- 098/2012-17

৩১ বছৰ,১৪ সংখ্যা, ২৩ চ'ত, ৰবিবাৰ,১৪৩১ ভাস্কৰাব্দ, পঞ্জীয়ন নং- ৫৩৮৮৩/ ১৯৯৪

RNI No.53883/94. GHY- 781025. Vol. 31: Issue No. 14 Date of Publication- 6 April 2025 Rs. 10.00/-

## আট্টাৰি সীমান্তৰে গোপনে পাকিস্তানলৈ গৈছিল গৌৰৱ গগৈঃ মুখ্যমন্ত্ৰী

ৰঙিলী বাৰ্ত্তাসেৱা- যোৰহাটৰ কংগ্ৰেছ সাংসদ গৌৰৱ গগৈ আৰু তেওঁৰ পত্নী এলিজাবেথ কলবাৰ্ন গগৈৰ পাকিস্তান-আইএছআইৰে সম্পৰ্ক সন্দৰ্ভত অসম আৰক্ষীৰ এছআইটিয়ে দিল্লীকে ধৰি দেশৰ বিভিন্ন প্ৰান্তলৈ গৈ পূৰ্ণগতিত তদন্ত চলাই থকাৰ মাজতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাষ্ট্ৰীয় সংবাদ মাধ্যমত সাংসদ গৌৰৱ গগৈৰ পাকিস্তানৰে সম্পৰ্ক সন্দৰ্ভত মহাবিস্ফোৰণ ঘটাইছে। মুখ্যমন্ত্ৰী ড° শৰ্মাই ৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ আগত তোলা অভিযোগ অনুসৰি সাংসদ গৌৰৱ গগৈয়ে আট্টাৰি সীমান্তৰে পাকিস্তানলৈ গৈছিল। বিমানবন্দৰেৰে গ'লে ধৰা পৰিব বুলিয়ে আট্টাৰি সীমান্তৰে গোপনে পাকিস্তানলৈ গৈছিল গৌৰৱ গগৈয়ে। আনকি তেওঁ ইছলামাবাদত ১৫ দিন কটাইছিল। সেইদৰে সাংসদ গৌৰৱ গগৈৰ পুত্ৰ-কন্যাও ভাৰতীয় নাগৰিক নহয় বুলি মুখ্যমন্ত্ৰী ড° শৰ্মাই মন্তব্য কৰি কয় যে সন্তানৰ ভাৰতীয় নাগৰিকত্ব প্ৰত্যাহাৰ কৰিবলৈ গৌৰৱ গগৈয়ে চৰকাৰৰ ওচৰত আবেদন পৰ্যন্ত কৰিছিল। মূলতঃ সন্তানক আন (দহ পৃষ্ঠাত চাওক)



## পঞ্চায়তত বিজেপিয়ে ৯০ শতাংশ আসন পাবঃ কেন্দ্ৰীয় মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা

ৰঙিলী বাৰ্ত্তাসেৱা- আগন্তুক পঞ্চায়ত নিৰ্বাচনৰ বাবে তৎপৰতা বৃদ্ধি পাইছে বিজেপি দলৰ। ডিমৌ জ্যোতি-বিষ্ণু প্ৰকল্পৰ প্ৰেক্ষাগৃহত বিজেপি দলৰ প্ৰথমখন সাংগঠনিক সভা অনুষ্ঠিত হয়। ডিমৌত অনুষ্ঠিত হোৱা প্ৰথম সাংগঠনিক সভাত কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা উপস্থিত থাকি কয় যে পঞ্চায়ত নিৰ্বাচনত বিজেপি দলে ৯০ শতাংশ আসন লাভ কৰিব। ড° হিমন্ত বিশ্ব শৰ্মা আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত যিটো




বিকাশৰ ধাৰা বৈছে সেইটো আছেই। আমাক ৰাইজে আঁকোৱালি লৈছে। কেন্দ্ৰত বিজেপি, ৰাজ্যত বিজেপি আৰু পঞ্চায়তত বিজেপি হ'বই।ৰাইজক (দহ পৃষ্ঠাত চাওক)

## ৱাকফ সংশোধনী বিধেয়কত অনুমোদন ৰাষ্ট্ৰপতিৰ

ৰঙিলী বাৰ্ত্তাসেৱা- আইনত পৰিণত হ'ল ৱাকফ (সংশোধনী) বিধেয়ক। সংসদত গৃহীত হোৱা ৱাকফ (সংশোধনী) বিধেয়ক-২০২৫ত শনিবাৰে ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে সন্মতি প্ৰদান কৰে। ৰাষ্ট্ৰপতিৰ অনুমোদনৰ লগে লগে এতিয়া আইনত



পৰিণত হৈছে ৱাকফ বিধেয়ক। মুছলিম ৱাকফ বিধেয়ক-২০২৫ৰ ওপৰতো সন্মতি প্ৰদান কৰে ৰাষ্ট্ৰপতি (দহ পৃষ্ঠাত চাওক)

## প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক শ্ৰীলংকাৰ সৰ্বোচ্চ অসামৰিক সন্মান প্ৰদান



ৰঙিলী বাৰ্ত্তাসেৱা- তিনিদিনীয়া ভ্ৰমণসূচীৰে শ্ৰীলংকাত উপস্থিত হোৱা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শ্ৰীলংকাৰ ৰাষ্ট্ৰপতি অনুৰা কুমাৰা দিছানায়কৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হৈ দুয়োখন দেশৰ সম্পৰ্ক অধিক শক্তিশালীকৰণৰ ওপৰত গুৰুত্ব আৰোপ কৰাৰ লগতে প্ৰতিৰক্ষাত ঐতিহাসিক চুক্তি সম্পন্ন কৰে। ইয়াৰ সমান্তৰালকৈ বিদ্যুৎ আৰু বিকাশতো চুক্তি সম্পন্ন কৰা হৈছে। দ্বিপাক্ষিক সম্পৰ্ক সবলীকৰণৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ আগবঢ়োৱা হয় শ্ৰীলংকাৰ সৰ্বোচ্চ অসামৰিক সন্মান 'মিত্ৰ বিভূষণ'। ৰাষ্ট্ৰপতি দিছানায়কে প্ৰধানমন্ত্ৰী মোদীক শ্ৰীলংকাৰ সৰ্বোচ্চ অসামৰিক সন্মানেৰে (দহ পৃষ্ঠাত চাওক)

## শুল্ক নীতি ঘোষণা কৰা দেশতেই হাহাকাৰ



ৰঙিলী বাৰ্ত্তাসেৱা- দেশৰ অৰ্থনীতি শক্তিশালী কৰিবলৈ নতুন শুল্ক নীতি আৰোপ কৰা দেশতেই হাহাকাৰ। বিশ্বৰ দেশসমূহৰ ওপৰত অতিৰিক্ত শুল্ক আৰোপ কৰি তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰা আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ শুল্ক যুদ্ধত আমেৰিকাবাসীয়েই বিতত হৈছে। শুল্ক নীতিৰ প্ৰভাৱত মূল্যবৃদ্ধিৰ আশংকাত দোকানে দোকানে শাৰী পাতিছে আমেৰিকাৰ নাগৰিকে। মূল্যবৃদ্ধি হোৱাৰ আশংকাত দোকানত ভিৰ কৰি মাৰ্কিন গ্ৰাহকে প্ৰয়োজনতকৈ অধিক সামগ্ৰী ক্ৰয় কৰি কিছুদিনৰ বাবে মজুত ৰখাৰ পৰিকল্পনা কৰিছে। কিয়নো, ট্ৰাম্পৰ শুল্ক নীতিয়ে আমেৰিকা যুক্তৰাষ্ট্ৰত সামগ্ৰীৰ (দহ পৃষ্ঠাত চাওক)

# ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদ দখল বিজেপি মিত্ৰজোঁটৰ



ৰঙিলী বাৰ্ত্তসেৱা- ২ এপ্ৰিলত অনুষ্ঠিত হোৱা ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ ফলাফল ৪ এপ্ৰিলত ঘোষণা কৰা হয়। বিৰোধীক ধূলিস্যাৎ কৰি ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদ দখল কৰিলে বিজেপি আৰু মিত্ৰজোঁটে। স্বায়ত্তশাসিত পৰিষদৰ ৩৬খন আসনৰ ভিতৰত ৩৩ খন আসন ৰাভা হাছং যৌথ সংগ্ৰাম সমিতি আৰু বিজেপিয়ে দখল কৰাৰ বিপৰীতে বিৰোধী কংগ্ৰেছ মাত্ৰ এখন আসনতে সন্তুষ্ট থাকিবলগীয়া হ'ল। আনহাতে, দুখন আসন দখল কৰিলে নিৰ্দলীয় প্ৰাৰ্থীয়ে। উল্লেখ্য যে নিৰ্বাচনত তিনিখন আসনত বিজেপি আৰু মিত্ৰদলৰ প্ৰাৰ্থী বিনাপ্ৰতিদ্বন্দ্বিতাৰে জয়ী হৈছে। ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য সদস্য টংকেশ্বৰ ৰাভাই দক্ষিণ দুধনৈ পৰিষদীয় সমষ্টিৰ পৰা ৫, ৫৬৮টা ভোটত জয়লাভ কৰে। আনহাতে, কংগ্ৰেছ দলৰ একমাত্ৰ প্ৰাৰ্থী হিচাপে কুশধোৱা দৰংগিৰি আসনৰ পৰা পৰমা ৰাভা জয়যুক্ত হ'বলৈ সক্ষম হয়। এইবাৰ নিৰ্বাচনত কামৰূপ জিলাৰ ১৬টা পৰিষদীয় সমষ্টিৰ ভিতৰত তিনিটাত বিজেপি আৰু বাকী ১৩টা সমষ্টিত ৰাভা হাছং যৌথ সংগ্ৰাম সমিতিৰ প্ৰাৰ্থীয়ে জয়লাভ কৰিবলৈ সক্ষম হয়। একেদৰে গোৱালপাৰা জিলাৰ ১৯টা সমষ্টিৰ ১৮টা সমষ্টি বিজেপি আৰু মিত্ৰদলে জয়লাভ কৰিবলৈ সক্ষম হয়।

# লোকসভাৰ দৰে ৰাজ্যসভাতো গৃহীত ৱাক্‌ফ সংশোধনী বিধেয়ক



ৰঙিলী বাৰ্ত্তাসেৱা- শাসক আৰু বিৰোধীৰ তীব্ৰ বাকযুদ্ধৰ অন্তত বুধবাৰে মাজনিশা বহুচৰ্চিত ৱাক্‌ফ (সংশোধনী) বিধেয়ক লোকসভাত গৃহীত হোৱাৰ পিছত বৃহস্পতিবাৰে ৰাজ্যসভাত উত্থাপন কৰা হয়। ৰাজ্যসভাত বৃহস্পতিবাৰৰ পৰা আৰম্ভ হোৱা বিতৰ্ক শুকুৰবাৰে অন্ত পৰে আৰু নিশা ২.৩৩ বজাত ভোটৰ ব্যৱধানত এই বিধেয়ক গৃহীত কৰা হয়। এতিয়া মাত্ৰ এই বিধেয়কখন আইনত পৰিণত হ'বলৈ ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মৰ স্বাক্ষৰৰ অপেক্ষাত আছে। ৰাষ্ট্ৰপতিয়ে স্বাক্ষৰ কৰিলেই সলনি হৈ যাব ৭০ বছৰীয়া পুৰণি আইন। ১৯৫৪ চনৰ আইনক সংশোধন কৰি ১৯৯৫ চনত ৱাক্‌ফ ব'ৰ্ডৰ ক্ষমতা যথেষ্ট বৃদ্ধি কৰিছিল চৰকাৰে। কিন্তু ৩০ বছৰ পাছত যি সংশোধনত ভাৰতীয় সংসদে অনুমোদন জনালে তাৰ ফলত ব'ৰ্ডৰ ক্ষমতা আৰু কাৰ্যকাৰিতা যথেষ্ট হ্ৰাস পাব। লক্ষণীয়ভাৱে বিৰোধী দলসমূহে এই বিধেয়ক সংসদৰ উভয় সদনত গৃহীত হোৱাৰ পাছতো ইয়াক লৈ তীব্ৰ অসন্তুষ্টি প্ৰদৰ্শন কৰি আছে। বিৰোধী দলসমূহে দাবী কৰিছে যে ৱাক্‌ফ আইনৰ এই সংশোধনে ৱাক্‌ফ ব'ৰ্ডৰ ক্ষমতাক নজিৰবিহীনভাৱে খৰ্ব কৰিব। উল্লেখনীয় যে সমস্ত বিতৰ্কৰ মাজতে বৃহস্পতিবাৰ নিশা ২.১৯ বজাত বিধেয়কখনক লৈ ভোট প্ৰক্ৰিয়া আৰম্ভ হয়। বিধেয়কখনৰ সপক্ষত ১২৮গৰাকী সাংসদে ভোটদান কৰাৰ বিপৰীতে ৯৫গৰাকীয়ে বিপক্ষে ভোটদান কৰিছে। ৩৩টা ভোটৰ ব্যৱধানত বিধেয়কখন গৃহীত হয় ৰাজ্যসভাত। উল্লেখনীয় যে এই বিধেয়কখনক লৈ ৰাজ্যসভাত ১২ ঘণ্টাতকৈও বেছি সময় বিতৰ্ক চলে। ইফালে বিধেয়ক গৃহীত হ'লেও ইয়াক উচ্চতম ন্যায়ালয়ত প্ৰত্যাহ্বান জনাব বুলি হুংকাৰ দিছে বিৰোধী কংগ্ৰেছ, ডিএমকে আদি দলে। ইফালে, এই বিধেয়কখনক সমৰ্থন জনোৱা বাবে এনডিএৰ অংশীদাৰ দল বিহাৰৰ মুখ্যমন্ত্ৰী নীতিশ কুমাৰৰ জেডিইউত ভাঙোন আৰম্ভ হৈছে। ইতিমধ্যে দুগৰাকী সাংসদে জেডিইউ ত্যাগ কৰিছে। দলটোৰ কেইবাগৰাকীও বিধায়কে শীঘ্ৰে পদত্যাগ কৰিব বুলিও হুংকাৰ দিছে। মুখ্যমন্ত্ৰী নীতিশ কুমাৰে পূৰ্বৰ অৱস্থান সলনি কৰি বিধেয়কখনক সমৰ্থন জনোৱা বুলি দলৰ অভ্যন্তৰত সৃষ্টি হৈছে তীব্ৰ মতানৈক্য। বিৰোধীয়ে বিধেয়কখনক লৈ এই অসন্তুষ্টি প্ৰকাশ কৰিলেও প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ইয়াক এক অভূতপূৰ্ব মুহূৰ্ত বুলি অভিহিত কৰিছে। সংসদৰ উভয় সদনত ৱাক্‌ফ (সংশোধনী) বিধেয়ক গৃহীত হোৱা বিষয়টোক আৰ্থ-সামাজিক ন্যায় বিচাৰৰ লক্ষ্যত অভূতপূৰ্ব মুহূৰ্ত বুলি আখ্যা দিছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। বেংককত অনুষ্ঠিত বিমষ্টেক সন্মিলনত যোগদান কৰিবলৈ থাইলেণ্ডলৈ যোৱা প্ৰধানমন্ত্ৰী মোদীয়েপুৱা বেংককৰ পৰাই ছ'চিয়েল মিডিয়াত ৱাক্‌ফ (সংশোধনী) বিধেয়কক লৈ এটা পোষ্ট দিয়ে। বাক্‌ফ (সংশোধনী) বিধেয়কক লৈ মতামত জনোৱাৰ বাবে সকলো সাংসদ আৰু দেশৰ অগণিত মানুহক ধন্যবাদজ্ঞাপন কৰে প্ৰধানমন্ত্ৰী মোদীয়ে। প্ৰধানমন্ত্ৰীয়ে এই কথাও উল্লেখ কৰে যে যিসকল দীৰ্ঘদিন ধৰি বঞ্চিত হৈ আছিল, ৱাক্‌ফ সম্পৰ্কীয় নতুন আইনে তেওঁলোকক সহায় কৰিব। বিধেয়কখন সন্দৰ্ভত যৌথ সংসদীয় কমিটীক গুৰুত্বপূৰ্ণ মতামত দিছিল সাংসদ তথা সাধাৰণ জনতাই। বিস্তাৰিত আলোচনা আৰু বিতৰ্কৰ প্ৰয়োজনীয়তা আকৌ এবাৰ প্ৰমাণ হোৱা বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। প্ৰধানমন্ত্ৰীয়ে এই কথাও কয় যে ৱাক্‌ফ ব্যৱস্থা আৰু স্বচ্ছতাৰ অভাৱ কাৰ্যতঃ সমাৰ্থক আছিল। এই কাৰণে মুছলমান মহিলা, গৰিব তথা অতি দুখীয়া মুছলমানসকলৰ স্বাৰ্থ ক্ষতিগ্ৰস্ত হৈছিল। সংসদত গৃহীত হোৱা বিধেয়কে স্বচ্ছতা বৃদ্ধি কৰাৰ লগতে মানুহৰ অধিকাৰ সুৰক্ষিত কৰিব বুলিও মোদীয়ে মন্তব্য কৰে।

# স্থগিত ৰখা একাদশ শ্ৰেণীৰ পৰীক্ষা বাতিল

ৰঙিলী বাৰ্ত্তাসেৱা- আগন্তুক পঞ্চায়ত নিৰ্বাচনৰ বাবে অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে একাদশ শ্ৰেণীৰ স্থগিত ৰখা পৰীক্ষাসমূহ বাতিল কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে । শুক্ৰবাৰে অনুষ্ঠিত এখন বৈঠকৰ পাছতে পৰিষদে এই কথা ঘোষণা কৰে। এক জাননীত পৰিষদৰ সচিবে প্ৰকাশ কৰা অনুসৰি পঞ্চায়ত নিৰ্বাচনৰ বাবে ৰাজ্যৰ শিক্ষক সমাজ ব্যস্ত হৈ থাকিব। বিশেষকৈ নিৰ্বাচনৰ প্ৰস্তুতিমূলক কাৰ্য, প'লিং-কাউণ্টিং কৰ্মচাৰীৰ প্ৰশিক্ষণ, ভোটগ্ৰহণ, ভোটগণনাকে ধৰি বিভিন্ন নিৰ্বাচনকেন্দ্ৰিক কাৰ্যত শিক্ষকক নিয়োগ কৰা হ'ব। যাৰ পৰিপ্ৰেক্ষিতত শিক্ষকসকল অহা ২০ মে' পৰ্যন্ত ব্যস্ত হৈ থকাৰ সম্ভাৱনা আছে। সেয়েহে নিৰ্বাচন প্ৰক্ৰিয়া সম্পূৰ্ণৰূপে অন্ত পৰাৰ পূৰ্বে বিদ্যালয়সমূহে পৰীক্ষা অনুষ্ঠিত কৰাটো যথেষ্ট কঠিন হ'ব। আনহাতে, নিৰ্বাচনী প্ৰক্ৰিয়াৰ অন্ত পৰাৰ পাছত পৰীক্ষা অনুষ্ঠিত কৰাটো যথেষ্ট বিলম্ব ঘটিব। সেয়েহে পৰিষদে ২০২৫ বৰ্ষৰ উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ অৰ্থাৎ একাদশ শ্ৰেণীৰ ইতিপূৰ্বে প্ৰশ্নকাকত ফাদিল হোৱাৰ বাবে স্থগিত ৰখা পৰীক্ষাসমূহ সম্পূৰ্ণৰূপে বাতিল কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে। অৱশ্যে পৰীক্ষা প্ৰক্ৰিয়া সম্পূৰ্ণ কৰাৰ ক্ষেত্ৰত কেতবোৰ বিশেষ সিদ্ধান্তও পৰিষদে গ্ৰহণ কৰিছে। সেই অনুসৰি ইতিমধ্যে অনুষ্ঠিত একাদশ শ্ৰেণীৰ পৰীক্ষাসমূহত অৱতীৰ্ণ হোৱা সকলো শিক্ষাৰ্থীয়ে অহাবৰ্ষত অনুষ্ঠিত হ'বলগীয়া উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত অৱতীৰ্ণ হ'বলৈ সুযোগ লাভ কৰিব। জাননীখনত পৰিষদে কয়- একাদশ শ্ৰেণীৰ পৰীক্ষাসমূহ সাধাৰণতে এক বিদ্যালয়ৰ পৰীক্ষা। ৮ বছৰ পূৰ্বলৈকে প্ৰতিষ্ঠানসমূহে একাদশ শ্ৰেণীৰ বাৰ্ষিক পৰীক্ষা নিজাববীয়াকৈ অনুষ্ঠিত কৰিছিল। কিন্তু এই কথা লক্ষ্য কৰা হৈছিল যে প্ৰতিষ্ঠানসমূহে প্ৰস্তুত কৰা প্ৰশ্নকাকতৰ মান আৰু প্ৰশ্নকাকতত অন্তৰ্ভুক্ত কৰা বিষয়সমূহ একেধৰণৰ নাছিল। ইয়াৰ প্ৰতি লক্ষ্য ৰাখি বিগত ৮ বছৰ ধৰি এটা মানসম্পন্ন প্ৰক্ৰিয়া অব্যাহত ৰখাৰ লগতে উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত *(আঠপৃষ্ঠাত চাওক)*

# উন্মেষৰ 'অন্তৰাগঃ সময় আৰু স্মৃতিৰ ঐক্যন' শীৰ্ষক অনুষ্ঠান




ৰঙিলী বাৰ্ত্তাসেৱা- উন্মেষৰ উদ্যোগত আৰু কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়, মনোবিজ্ঞান বিভাগৰ সহযোগত ৫ এপ্ৰিলত মাতৃ নিৱাস বৃদ্ধাশ্ৰম, মঠঘৰীয়া, গুৱাহাটীত "অন্তৰাগঞ্জ সময় আৰু স্মৃতিৰ ঐক্যন" শীৰ্ষক এক অনুষ্ঠান অনুষ্ঠিত হৈ যায়। এই অনুষ্ঠানৰ আৰম্ভণিতে উন্মেষৰ মুখ্য প্ৰশাসক ড° শ্যাম সুন্দৰ শৰ্মাই সভাত উপস্থিত থকা সকলক উদ্দেশ্যি আদৰণি ভাষণ আগবঢ়ায়। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়, মনোবিজ্ঞান বিভাগৰ মুৰব্বী ড° হিমাশ্ৰী কলিতা তালুকদাৰে। স্বৰ্গীয় বিজন দত্তৰ সোঁৱৰণত অনুষ্ঠিত এই অনুষ্ঠানটোৰ পৃষ্ঠপোষকতা কৰে তেওঁৰ সহধৰ্মিণী অৰ্পিতা দত্তই আৰু পৰিয়ালৰ হৈ বক্তৃতা প্ৰদান কৰে বি. বৰুৱা মহাবিদ্যালয়, গুৱাহাটীৰ দৰ্শন বিভাগৰ প্ৰাক্তন মুৰব্বী তথা অৱসৰপ্ৰাপ্ত সহযোগী অধ্যাপক ড° সুচৰিতা দে'ই। এই অনুষ্ঠানত কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়, গুৱাহাটীৰ মনোবিজ্ঞান বিভাগৰ প্ৰশিক্ষণপ্ৰাপ্ত ছাত্ৰ-ছাত্ৰী সকলে বৃদ্ধ আৱাসীসকলৰ মাজত "Geriatric Screening" কৰাৰ লগতে সাংস্কৃতিক অনুষ্ঠান গীত-নাচ, কবিতা আবৃত্তি ইত্যাদি পৰিৱেশন কৰে। অনুষ্ঠানৰ অন্তত মাতৃ নিৱাস বৃদ্ধাশ্ৰমলৈ বৃদ্ধাশ্ৰমৰ আৱাসীসকলক চিকিৎসক পৰামৰ্শ কিছু দৰকাৰী ঔষধ প্ৰদান কৰা হয় আৰু এটা প্ৰীতি ভোজনৰ আয়োজন কৰা হয়। অনুষ্ঠানটোৰ শলাগৰ শৰাই আগবঢ়াই আৰু সাৱলীল ভাষাৰে আঁত ধৰে কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়, মনোবিজ্ঞান বিভাগৰ ছাত্ৰ বিষ্ণুব্ৰাত বৰাই।

# কলাক্ষেত্ৰত ৰাজ্যৰ সৰ্বোচ্চ অসামৰিক সন্মান প্ৰদান




ৰঙিলী বাৰ্তাসেৱা- গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত আয়োজিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই ৰাজ্যৰ সৰ্বোচ্চ অসামৰিক সন্মান-২০২৪ প্ৰদান কৰে। শীৰ্ষ সৰ্বোচ্চ অসামৰিক সন্মান অসম বৈভৱ প্ৰদান কৰা হয় অৱসৰপ্ৰাপ্ত লেফটেনেন্ট জেনেৰেল ৰাণাপ্ৰতাপ কলিতাক। উচ্চমানৰ সামৰিক নেতৃত্ব, কৌশলগত পৰিকল্পনা তথা সিদ্ধান্ত গ্ৰহণ, বহুমুখী প্ৰশিক্ষণ, সামৰ্থ্য বৃদ্ধি আৰু সাধাৰণ প্ৰশাসনৰ ক্ষেত্ৰত চাৰি দশকজোৰা অভিজ্ঞতাৰে পুষ্ট সুদক্ষ সামৰিক বিষয়া কলিতাই ইষ্টাৰ্ন কমাণ্ডাৰ জেনেৰেল অফিচাৰ কমাণ্ডিং ইন চীফ হিচাপে অৱসৰ গ্ৰহণ কৰিছে। এই সময়ছোৱাত পাঁচখন দেশৰ সীমান্তৰ সৈতে সংযুক্ত দেশৰ ৯খন ৰাজ্য তেওঁৰ দায়িত্বত আছে। বৃহৎ প্ৰতিৰক্ষা সংস্থাসমূহৰ পৰিকল্পনা আৰু কাম-কাজ পৰিচালনাৰ লগতে ৰাষ্ট্ৰীয় সুৰক্ষা আৰু কৌশলগত ব্যৱস্থাপনা, দুৰ্যোগ ব্যৱস্থাপনা, সা-সামগ্ৰী ব্যৱস্থাপনা আৰু যোগান ব্যৱস্থাপনাৰ ক্ষেত্ৰতো তেওঁ যথেষ্ট অভিজ্ঞ তাপুষ্ট। চাকৰি জীৱনৰ আৰম্ভণিতে কলিতাই শ্ৰীলংকাত অপাৰেচন পৱনত অংশ লৈছিল আৰু কাশ্মীৰত এটা ৰাষ্ট্ৰীয় ৰাইফলছ বেটেলিয়নৰ নেতৃত্ব দিছিল। কাশ্মীৰৰ নিয়ন্ত্ৰণ ৰেখা এলেকাৰ প্ৰত্যাহ্বানমূলক পৰিৱেশত তেওঁ এটা সেনা মণ্ডল আৰু পিছলৈ উত্তৰ-পূবৰ বাবে কৌশলগতভাৱে গুৰুত্বপূৰ্ণ এটা বিশেষ সেনা বাহিনীৰ নেতৃত্ব বহন কৰিছিল। তেওঁ চিয়েৰালিয়ন আৰু ছুডানৰ সংঘৰ্ষ জৰ্জৰিত অঞ্চলসমূহতো ৰাষ্ট্ৰসংঘৰ অধীনত পৰিচালিত শান্তিৰক্ষা অভিযানত অংশগ্ৰহণ কৰিছিল। গোৱালপাৰা সৈনিক স্কুলৰ প্ৰাক্তন ছাত্ৰ কলিতাই খড়কৱাস্লাৰ ৰাষ্ট্ৰীয় প্ৰতিৰক্ষা একাডেমী আৰু ডেৰাডুনৰ ইণ্ডিয়ান মিলিটেৰী একাডেমীত প্ৰশিক্ষণ গ্ৰহণৰ লগতে বেলিংটনৰ ডিফেঞ্চ ছাৰ্ভিচেছ ষ্টাফ কলেজ, হায়াৰ কমাণ্ড আৰু নেচনেল ডিফেঞ্চ কলেজত অধ্যয়নৰ পিছত মাদ্ৰাজ বিশ্ববিদ্যালয়ৰ পৰা প্ৰতিৰক্ষা আৰু কৌশলগত বিদ্যা আৰু ইন্দোৰৰ দেৱী অহল্যা বিশ্ববিদ্যালয়ৰ পৰা প্ৰতিৰক্ষা আৰু ব্যৱস্থাপনা শিক্ষাত এম ফিল ডিগ্ৰী লাভ কৰে। বৰ্তমান কলিতা সপ্তম অসম ৰাজ্যিক বিত্ত আয়োগৰ অধ্যক্ষ

(দহ পৃষ্ঠাত চাওক)

# বিভিন্ন দেশৰ ওপৰত শুল্ক আৰোপ ড'নাল্ড ট্ৰাম্পৰ



ৰঙিলী বাৰ্তাসেৱা- বুধবাৰে আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে বিভিন্ন দেশৰ ওপৰত শুল্ক আৰোপ কৰিছে। ৰাষ্ট্ৰপতি ট্ৰাম্পে বিশ্বৰ প্ৰতিখন দেশৰ ওপৰত নতুন শুল্ক নীতি আৰোপ কৰাৰ পিছতেই তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। ৰাষ্ট্ৰপতি ট্ৰাম্পে 'মুক্তি দিৱস' হিচাপে ইতিপূৰ্বে ঘোষণা কৰি বুধবাৰৰ দিনটোতেই নতুন শুল্ক কৰ আৰোপ কৰা সন্দৰ্ভত কয়- যদি কোনো দেশে আমেৰিকাৰ প্ৰতি সুৰ নৰম কৰে, তেতিয়া হ'লে সেই দেশৰ ওপৰত আৰোপ কৰা পাৰস্পৰিক শুল্ক হ্ৰাস কৰাৰ বিবেচনা হ'ব। ইয়াৰ পৰিৱৰ্তে যদি কোনো দেশে আমেৰিকাৰ পণ্যৰ ওপৰত অতিৰিক্ত শুল্ক আৰোপ কৰে, তেতিয়াহ'লে সেই দেশৰ ওপৰত কঠোৰ হ'ব আমেৰিকা। ৰাষ্ট্ৰপতি ট্ৰাম্পে ঘোষণা কৰা নতুন আমদানি শুল্ক ভাৰতৰ ওপৰত ২৬ শতাংশ, চীনৰ ওপৰত ৩৪ শতাংশ, ইউৰোপীয় ইউনিয়নৰ ওপৰত ২০ শতাংশ, ভিয়েটনাম ৪৬ শতাংশ, জাপান ২৪ শতাংশ, দক্ষিণ কোৰিয়া ২৫ শতাংশ, থাইলেণ্ড ৩৬ শতাংশ, চুইজাৰলেণ্ড ৩১ শতাংশ, ভুটান ১০ শতাংশ, পাকিস্তান ২৯ শতাংশ, নিউজিলেণ্ড ১০ শতাংশ, নেপাল ১০ শতাংশ, আফগানিস্তান ১০ শতাংশ, বাংলাদেশ ৩৭ শতাংশ, ব্ৰাজিল ১০ শতাংশ, শ্ৰীলংকাত ৪৪ শতাংশ আৰোপ কৰা হৈছে। বাকী দেশসমূহতো ৰাষ্ট্ৰপতি

(নপৃষ্ঠাত চাওক)

# প্ৰথমবাৰৰ বাবে গুৱাহাটীত অনুষ্ঠিত হ'ব আন্তঃৰাষ্ট্ৰীয় টেষ্ট মেচ



ৰঙিলী বাৰ্তাসেৱা- প্ৰথমবাৰৰ বাবে গুৱাহাটীৰ বৰ্ষাপাৰা এচিএ ক্ৰিকেট ষ্টেডিয়ামত আয়োজন কৰা হ'ব টেষ্ট মেচ। চলিত বছৰৰ নৱেম্বৰত বৰ্ষাপাৰা ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত হ'ব ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ দ্বিতীয় টেষ্ট। দুখন টেষ্ট মেচত অংশ লোৱাৰ উদ্দেশ্যে ভাৰত ভ্ৰমণ কৰিব দক্ষিণ আফ্ৰিকাই। এই দুখনীয়া টেষ্ট মেচৰ শৃংখলাটোৰ দ্বিতীয় তথা অন্তিমখন টেষ্ট গুৱাহাটীত অনুষ্ঠিত হ'ব। টেষ্টখন ২২নৱেম্বৰৰ পৰা ২৬ নৱেম্বৰলৈ অনুষ্ঠিত হ'ব। ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ডে ২০২৫ বৰ্ষৰ ঘৰুৱা ছিজনৰ সূচী ঘোষণা কৰিছে। চলিত বৰ্ষত ঘৰুৱা দল টীম ইণ্ডিয়াই ৱেষ্ট ইণ্ডিজ আৰু দক্ষিণ আফ্ৰিকাৰ বিপক্ষে টেষ্ট মেচত অংশগ্ৰহণ কৰিব। সূচী অনুসৰি, ভাৰতীয় দলটোৱে দক্ষিণ আফ্ৰিকাৰে দুখন টেষ্ট মেচ খেলাৰ উপৰি তিনিখন এদিনীয়া আৰু পাঁচখন টি-২০ মেচৰ শৃংখলা খেলিব। দুখন টেষ্ট মেচত অংশ লোৱাৰ উদ্দেশ্যে ৱেষ্ট ইণ্ডিজ দলটোৱে অক্টোবৰত ভাৰত ভ্ৰমণলৈ আহিব। দুয়ো দেশৰ মাজৰ প্ৰথমখন টেষ্ট ২-৬ অক্টোবৰলৈ আহমেদাবাদত অনুষ্ঠিত হোৱাৰ বিপৰীতে দ্বিতীয় তথা অন্তিমখন টেষ্ট ১০-১৪ অক্টোবৰত কলকাতাত অনুষ্ঠিত হ'ব। এই শৃংখলাটোৰ সমাপ্তিৰ পিছতে পূৰ্ণাংগ শৃংখলাত অংশ লোৱাৰ উদ্দেশ্যে ভাৰতলৈ আহিব দক্ষিণ আফ্ৰিকা দলটো। দুয়ো দেশৰ মাজত দুখন টেষ্ট, তিনিখন এদিনীয়া আৰু পাঁচখন

(নপৃষ্ঠাত চাওক)

# থাইলেণ্ডত উপস্থিত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী



ৰঙিলী বাৰ্তাসেৱা- দুদিনীয়া ভ্ৰমণসূচীৰে থাইলেণ্ডত উপস্থিত ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী। থাইলেণ্ডৰ বেংককৰ বিমানবন্দৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক দেশখনৰ উপ-প্ৰধানমন্ত্ৰী সুৰীয়া জুংৰুনগ্ৰিনকিটে আদৰণি জনায়। ইপিনে থাইলেণ্ড ভ্ৰমণৰত প্ৰধানমন্ত্ৰী মোদীক প্ৰবাসী ভাৰতীয় সমুদায়ে উষ্ম আদৰণি জনায়। বিমানবন্দৰৰ বাহিৰত প্ৰবাসী ভাৰতীয়সকলে প্ৰধানমন্ত্ৰী মোদীক দেশখনলৈ আদৰণি জনায়। ষষ্ঠ বিমষ্টেক সন্মিলত অংশগ্ৰহণ কৰাৰ

(নপৃষ্ঠাত চাওক)

# কলকাতাৰ হাতত ৮০ ৰানত পৰাস্ত ছানৰাইজাৰ্ছ হায়দৰাবাদ




ৰঙিলী বাৰ্তাসেৱা- কলকাতাৰ ইডেন গাৰ্ডেনত অনুষ্ঠিত আইপিএলৰ মেচখনত ঘৰুৱা দল তথা ডিফেণ্ডিং চেম্পিয়ন কলকাতা নাইট ৰাইডাৰ্ছৰ হাতত ৮০ ৰানত পৰাস্ত হয় ছানৰাইজাৰ্ছ হায়দৰাবাদ। কলকাতাই জয়ৰ বাবে বান্ধি দিয়া ২০১ ৰানৰ লক্ষ্য অনুসৰণ কৰিবলৈ আহি বৈভৱ আৰোৰা আৰু বৰুণ চক্ৰৱৰ্তীৰ চমকপ্ৰদ বলিঙৰ সন্মুখত বেটিং বিপৰ্যয় হৈ ছানৰাইজাৰ্ছে ১৬.৪ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই ১২০ ৰানহে কৰিবলৈ সক্ষম হয়। দলটোৰ হৈ হেনৰিচ ক্লাছেনে সৰ্বাধিক ৩৩ ৰান কৰে। কামিণ্ডু মেণ্ডিছে ২৭,

(নপৃষ্ঠাত চাওক)

# বেংগালুৰুক ৮ উইকেটত পৰাস্ত কৰে গুজৰাট টাইটানছে



ৰঙিলী বাৰ্ত্তাসেৱা- বুধবাৰে এম চিন্নাস্বামী ষ্টেডিয়ামত অনুষ্ঠিত মেচখনত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিৰুদ্ধে ৮ উইকেটত সহজ জয় গুজৰাট টাইটানছৰ। বেংগালুৰুৱে জয়ৰ বাবে বান্ধি দিয়া ১৭০ ৰানৰ লক্ষ্য অনুসৰণ কৰিবলৈ আহি জ'ছ বাটলাৰৰ দুৰ্দান্ত অপৰাজিত ৭৩ ৰানৰ সহায়ত গুজৰাটে ১৭.৫ অভাৰত দুটা উইকেট হেৰুৱাই জয়ৰ লক্ষ্যত উপনীত হয়। অপেনাৰ ছাই সুদৰ্শনে ৪৯ আৰু অধিনায়ক গিলে ১৪ ৰান কৰি বিদায় লয় যদিও শ্বেৰফান ৰাডাৰফ'ৰ্ডে ৩০ ৰান কৰি অপৰাজিত হৈ থাকে। বেংগালুৰুৰ হৈ ভুৱেনশ্বৰ কুমাৰ আৰু জোছ হেজলউডে ১টাকৈ উইকেট লাভ কৰে। ইয়াৰ পূৰ্বে প্ৰথমে বেটিং কৰিবলৈ আহি প্ৰাৰম্ভিক বিপৰ্যয় সত্বেও লিয়াম লিভিংষ্টনৰ অৰ্ধশতকৰ সহায়ত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে নিৰ্ধাৰিত ২০ অভাৰত ৮টা উইকেট হেৰুৱাই ১৬৯ৰান সংগ্ৰহ কৰে। ইনিংছৰ আৰম্ভণি মুঠেই সুখকৰ নাছিল বেংগালুৰুৰ। দলীয় স্ক'ৰ ৪২ ৰানতে আগশাৰীৰ বেটাৰ বিৰাট কোহলি ৭ ৰান কৰি, দেৱদূত পাদিকালে ৪ ৰান কৰি, অপেনাৰ ফিল ছল্টে ১৪ৰান কৰি আৰু অধিনায়ক ৰজত পাটিদাৰে১২ ৰান কৰি নিজৰ নিজৰ উইকেট হেৰুৱায়। অৱশ্যে লিভিংষ্টনে জিতেশ শৰ্মাৰ সৈতে লগ লাগি পঞ্চম উইকেটত ৫২ ৰান সংগ্ৰহ ( নপৃষ্ঠাত চাওক)

# পঞ্চায়ত নিৰ্বাচনৰ দিন ঘোষণা

ৰঙিলী বাৰ্ত্তাসেৱা- অৱশেষত ঘোষণা হ'ল পঞ্চায়ত নিৰ্বাচনৰ দিন। অসম ৰাজ্যিক নিৰ্বাচন আয়োগে ঘোষণা কৰিলে পঞ্চায়ত নিৰ্বাচনৰ দিন। পাঞ্জাবাৰীস্থিত অসম ৰাজ্যিক নিৰ্বাচন আয়োগৰ কনফাৰেন্স হলত অসম ৰাজ্যিক নিৰ্বাচন আয়োগৰ আয়ুক্ত আলোক বন্ধ মাৰে এক সংবাদমেল সম্বোধন কৰি নিৰ্বাচনৰ দিন ঘোষণা কৰে। দুটা পৰ্যায়ত অনুষ্ঠিত হ'ব পঞ্চায়ত নিৰ্বাচনৰ ভোট। প্ৰথম পৰ্যায়ত উজনি অসম আৰু বৰাক উপত্যকা অনুষ্ঠিত হ'ব নিৰ্বাচন। বিপৰীতে নামনি অসমত দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচন অনুষ্ঠিত হ'ব। ইয়াৰোপৰি এইবাৰ পঞ্চায়ত নিৰ্বাচনত EVM ব্যৱহাৰ নহয়। বেলট পেপাৰতে অনুষ্ঠিত হ'ব নিৰ্বাচন। অৱশ্যে বিভিন্ন দিশত থাকিব অনলাইন ব্যৱস্থা। ৰাজ্যিক নিৰ্বাচন আয়োগে কৰা ঘোষণা অনুসৰি, এইবাৰ পঞ্চায়ত নিৰ্বাচন দুটা পৰ্যায়ত ২ মে' আৰু ৭ মে'ত অনুষ্ঠিত হ'ব। এই নিৰ্বাচনৰ বাবে প্ৰাৰ্থীয়ে ৩ এপ্ৰিলৰ পৰা মনোনয়ন পত্ৰ দাখিল কৰিব পাৰিব আৰু ১১ এপ্ৰিলত মনোনয়ন পত্ৰ পৰীক্ষা কৰা হ'ব। তাৰ পাছতে অনুষ্ঠিত হ'ব নিৰ্বাচন। লগতে ১১ মে'ত ভোট গণনা অনুষ্ঠিত হ'ব। আয়োগে জনাই যে, নিৰ্বাচনৰ দিনটোত ভোটিঙৰ হাৰ অনলাইনৰ যোগেদি জানিব পাৰিব। কোনটো বেলট বক্স ক'ত যাব আদি সকলো কথা অনলাইনৰ জৰিয়তে জানিব পাৰিব। পুৱা ৭.৩০ বজাৰ পৰা আবেলি ৩.৩০ বজালৈ ভোট গ্ৰহণ অনুষ্ঠিত হ'ব। নিৰ্বাচন আয়োগৰ তথ্য অনুসৰি পঞ্চায়ত নিৰ্বাচনৰ বাবে মুঠ ভোটাৰৰ সংখ্যা ৰ কোটি ৮০ লাখ ৩৬ হাজাৰ ৬৮২ গৰাকী। ইয়াৰে প্ৰায় ৯০ লাখ পুৰুষ ভোটাৰ আৰু প্ৰায় ৮৯ লাখ মহিলা ভোটাৰ। অৱশ্যে এই সংখ্যা বৃদ্ধি পাব পাৰে বুলি জনাই নিৰ্বাচনী আয়োগে।

# বিহালীত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ শুভাৰম্ভ মুখ্যমন্ত্ৰীৰ



ৰঙিলী বাৰ্ত্তাসেৱা- বিহালীত শুভাৰম্ভ হ'ল মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা আঁচনিৰ। বিশ্বনাথ জিলাৰ বিহালীৰ বৰগাংস্থিত নিউ কেটেলো খেলপথাৰত আয়োজিত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত আত্মসহায়ক গোটৰ যোগ্য মহিলালৈ ১০ হাজাৰ টকাকৈ চেক প্ৰদান আঁচনিৰ আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। এই শুভাৰম্ভ অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে কংগ্ৰেছ দলে অসমৰ মহিলা সমাজক অৰ্থনৈতিকভাৱে সবল কৰা অভিলাষী আঁচনি অৰুণোদয়, মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনি, নিযুত মইনা আঁচনি কি বুজি নাপায়। কংগ্ৰেছ দলে মাথোঁ লুভী, ধুতী, কম্বল চিনি পায়। কংগ্ৰেছ দলে লুভী, ধুতী, কম্বল যোগানৰ আঁচনি ৰূপায়ণৰ নামত টকা-পইচা তোলে। বিজেপি দলে জনকল্যাণকামী আঁচনি ৰূপায়ণ কৰি সমাজৰ সকলো শ্ৰেণীক অৰ্থনৈতিকভাৱে সবল কৰাৰ কাম-কাজ কৰে। ভাষণত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে নাৰী সবলীকৰণৰ জৰিয়তে এখন সমৃদ্ধশালী অসম গঢ়াৰ দিশত বৰ্তমানৰ ৰাজ্য চৰকাৰে নিৰন্তৰ কাম কৰি ( নপৃষ্ঠাত চাওক)

# ৰাণীত বিদ্যুস্পৃষ্ট শক্তিবিভাগৰ কৰ্মচাৰীৰ মৃত্যু



ৰঙিলী বাৰ্ত্তাসেৱা- ৰাণী আৰক্ষী চকীৰ অন্তৰ্গত গাৰোপাৰাত বিদ্যুৎ- স্পৃষ্ট হৈ তপন কলিতা নামৰ শক্তিবিভাগৰ কৰ্মচাৰী এজনৰ কৰুণ মৃত্যু হোৱাৰ লগতে ইন্দ্ৰ মহন্ত নামৰ আন এগৰাকী কৰ্মচাৰী গুৰুতৰভাৱে আহত হয়। দক্ষিণ কামৰূপৰ মিৰ্জা বৈদ্যুতিক উপ সংমণ্ডলত কৰ্মৰত পলাশবাৰীৰ গুৱালহাটী ডোৰাপাৰা নিবাসী বিদ্যুৎ কৰ্মী তপন কলিতাই মংগলবাৰে তেখেতৰ সহকৰ্মীৰ লগত মিৰ্জা বৈদ্যুতিক উপ সংমণ্ডলৰ অন্তৰ্গত লোহাৰঘাটৰ গাৰোপাৰাত লাইনৰ বিজুতি হোৱাৰ খবৰ পাই মেৰামতিৰ বাবে তাত গৈ উপস্থিত হয়। ঘটনাৰ বিৱৰণী মতে তপন কলিতাই পোষ্টত উঠি মেৰামতিৰ কাম আৰম্ভ কৰাৰ সময়তেই তেখেত সকলক নজনোৱাকৈ কোনো কৰ্মচাৰীয়ে লোহাৰঘাটত বিদ্যুত সংযোগ কৰি দিয়ে ফলত বিদ্যুৎ পৰিবাহী তাৰে তানি ধৰি মাটিত দলিয়াই পেলোৱাই দিয়ে, থিতাতে নিহত হয় তপন কলিতা আৰু আনএজন কৰ্মচাৰী ইন্দ্ৰ মহন্তক সংকটজনক অৱস্থাত চিকিৎসাৰ বাবে গুৱাহাটীলৈ প্ৰেৰণ কৰে। ইতিমধ্যে তপন কলিতাৰ মৃতদেহ পলাশবাৰী আৰক্ষী থানাৰ মৰ্গত ৰখা হৈছে। এতিয়া প্ৰশ্ন উত্থাপন হৈছে যে কৰ্মৰত সময়ত কি দৰে বিদ্যুত সংযোগ হ'ল। কি ভিত্তিত মিৰ্জা বৈদ্যুতিক উপ সংমণ্ডলৰ বিষয়ববীয়াই বিদ্যুৎ পোষ্টত উঠি কাম কৰাৰ অনুমতি প্ৰদান কৰিছিল তপন কলিতাক। এই ঘটনাৰ বাবে ৰাইজে শক্তিবিভাগকে জগৰীয়া কৰিছে লগতে উচিত তদন্তৰ দাবী কৰিছে । এগৰাকী অমায়িক যুৱক তপন কলিতাৰ মৃত্যুত অঞ্চলজুৰি গভীৰ শোকৰ ছাঁ পৰা পৰিলক্ষিত হয়। কলিতাই মৃত্যুৰ সময়ত পত্নীসহ, দুই সন্তান আৰু পৰিয়ালবৰ্গক এৰি যায়।

# মৰিগাঁৱত ভয়ংকৰ পথ দুৰ্ঘটনাত প্ৰাণ গ'ল ৩ বন্ধুৰ



ৰঙিলী বাৰ্ত্তাসেৱা- মৰিগাঁওৰ সোণাৰিগাঁৱত সংঘটিত হৈছে এক ভয়ংকৰ পথ দুৰ্ঘটনা।নিশা সংঘটিত ভয়ংকৰ দুৰ্ঘটনাটোত ৩ বন্ধুৱে অকাল মৃত্যুক সাৱটিলে। জানিব পৰা মতে মৰিগাঁও-নগাঁও ৰাজ্যিক ঘাইপথৰ সোণিৰিগাঁৱত সংঘটিত হয় এই ভয়ংকৰ পথ দুৰ্ঘটনাটো। দুজন যুৱক থিতাতে নিহত হোৱাৰ লগতে আন এজন যুৱকৰ গুৱাহাটী মেডিকেল কলেজ হাস্পতালত মৃত্যু হয়। দুৰ্ঘটনাত নিহত হোৱা যুৱককেইজন হৈছে ছাবিদ, ছাজিদুল আৰু দ্বীপমনি। প্ৰাপ্ত তথ্য অনুসৰি ঈদ খাবলৈ গৈছিল মৰিমুছলমান গাৱঁৰ তিনি বন্ধুয়ে। ঈদ খাই নিজ ঘৰলৈ বুলি বাইকেৰে ঘৰলৈ আহিছিল একেলগে। সেই সময়তে মৰিগাঁও নগৰৰ সোণাৰিগাঁৱত একে দিশৰ পৰা অচিনাক্ত বাহনে মটৰ ( নপৃষ্ঠাত চাওক)



# মহীয়সী জয়মতী কোঁৱৰী

**ময়ূৰী বৰগোহাঁই,দশম শ্ৰেণী, শিৱসাগৰ**

"জীৱন জ্যোতিৰে যাৰ
পোহৰালে পাৰাপাৰ
জনমৰে জীৱনক
জয় কৰি গ'ল
সিজনাৰ আত্মদান
মাথো এটি সামগাম
প্ৰতিধ্বনি কৰি কৰি
চামে-চামে বল"

সঁচাই মহিয়সী জয়মতী কুঁৱলীৰ আত্মদানৰ স্মৃতিয়ে আমাক যুগে-যুগে অনুপ্ৰাণিত কৰি আহিছে। স্বদেশ-স্বজাতিৰ বাবে জীৱন উৎসৰ্গা কৰা নাৰীৰ কাহিনী বিশ্বৰ বুৰঞ্জীত অতি বিৰল। ত্ৰয়োদশ শতিকাত আহোম ৰাজত্ব কালত অশেষ নিৰ্যাতন ভুগি, নিজৰ জীৱন আহুতি দি জয়মতী কুঁৱৰীয়ে স্বদেশৰ হেৰাব খোজা স্বাভিমান পুনৰ ঘূৰাই আনি স্বৰ্গদেউ সকলৰ ৰাজত্বকালৰ পুনৰ থিতাপি দি গল।

এই গৰাকী মহীয়সী নাৰী জয়মতী কুঁৱৰীৰ জন্ম হৈছিল শিৱসাগৰ জিলাৰ নাজিৰা মহকুমাৰ অন্তৰ্গত মাদুৰি অঞ্চলত। জয়মতী কুঁৱৰীৰ পিতৃ মাদুৰিৰ প্ৰসিদ্ধ ৰাজনীতিবিদ লাইথেপেনা বৰগোহাঁই আৰু মাতৃ চন্দ্ৰদাৰু। জয়মতীৰ এঘাৰগৰাকী মাহীমাক, বাৰগৰাকী ভনীয়েক আৰু চৌবিশজন ককায়েক-ভায়েক আছিল। মাক-দেউতাকৰ বৰ জীয়ৰী মহীয়সী জয়মতী কুঁৱৰী আছিল এগৰাকী নিৰ্ভীক, সাহসী, দূৰদৰ্শী, প্ৰত্যোৎপন্নমতীতাৰ অধিকাৰিণী আৰু আছিল আপোচবিহীন সত্যাগ্ৰহী নাৰী। যি ৰাজশক্তিৰ বিৰুদ্ধেও ৰাজসভাত স্বৰ্গদেউৰ অন্যায়-অবিচাৰৰ বিৰুদ্ধে প্ৰতিবাদ কৰিব পাৰিছিল। গুৰু গম্ভীৰ, দেখনীয়াৰ জয়মতীক প্ৰথম দেখিয়ে তুংখুঙীয়া ফৈদৰ লাঙি গদাপাণিয়ে পচন্দ কৰিছিল আৰু আহোম নিয়ম অনুসৰি চকলং পদ্ধতিৰে জয়মতীক বিয়া কৰাইছিল। গদাপাণি আৰু জয়মতীৰ যুগ্মজীৱন বৰ সুখ-শান্তিৰে পাৰ হৈছিল। তেওঁলোকৰ দাম্পত্য জীৱনৰ সাক্ষী দুটি সন্তান লাই আৰু লেচাই।

১৬৭৯ পৰা ১৬৮১ খ্ৰীষ্টাব্দ। ছশবছৰীয়া আহোম ৰাজত্বৰ এক কলংকৃত অধ্যায়। সেই সময়ছোৱাৰ এজন ক্ষমতালোভী আৰু স্বাৰ্থপৰ ৰাজবিষয়া আছিল লালুক- সোলা বৰফুকন । ক্ষমতাৰ লিপ্সাত লালুকখোলাই আতন বুঢ়াগোহাঁইক হত্যা কৰে আৰু ষড়যন্ত্ৰ কৰি চামগুৰীয়া ফৈদৰ নিচেই কম বয়সীয়া ৰাজকোঁৱৰ ৰত্নধ্বজ সিংহ ওৰফে চুলিকফাক ৰজা পাতে। নিচেই কম বয়সতে ৰজা হোৱা বাবে ৰত্নধ্বজ সিংহক সকলোৱে লৰা ৰজা বুলিছিল। লালুকসোলা বৰফুকনে নিজৰ জীয়েকক লৰা ৰজালৈ বিয়া দি ৰজাৰ শহুৰ হৈ নিজেই ৰাজ্যৰ উঠি ৰজা-বহি ৰজা হৈ পৰিছিল। লৰাৰজা সিংহাসনত বহিয়েই লালুকসোলা বৰফুকনৰ কু-মন্ত্ৰনাত সকলো ফৈদৰ ৰজা হ'ব পৰা গুণৰ অধিকাৰী আহোম ৰাজকোঁৱৰ সকলৰ হয় অংগক্ষত, নহয় বধ কৰিবলৈ ধৰিলে। কাৰণ আহোম সংবিধান অনুসৰি ইন্দ্ৰবংশী আহোম ৰাজ সিংহাসন অলংকৃত কৰিবলৈ কিছুমান গুণৰ প্ৰয়োজন আছিল। তাৰে ভিতৰত প্ৰধান গুণ শৰীৰত কোনো ঘুন নথকা অৰ্থাৎ নিঘুণী। গতিকে লৰা ৰজাই লালুকসোলা বৰফুকনৰ কু-মন্ত্ৰনাত দীঘলীয়া শাসনত বহাৰ মানসেৰে উপযুক্ত ৰজা হ'ব পৰা যোগ্য কোঁৱৰবিলাকক এফালৰ পৰা অংগক্ষত কৰিবলৈ চাওদাঙ বৰুৱাক দায়িত্বভাৰ অৰ্পণ কৰাৰ লগে লগে চাওদাঙ বৰুৱাই যোগ্যবান ডেকা কোঁৱৰ বিলাকক কাৰোবাক চকু কাঢ়িলে, কাৰোবাক ঘিলা কাঢ়িলে আৰু কোনোজনক হত্যাও কৰিলে। লালুকসোলাৰ এই অন্যায়-অবিচাৰৰ কথা জানিব পাৰি তুংখুঙীয়া ফৈদৰ লাঙি গদাপাণিয়ে প্ৰিয় ভাৰ্যা জয়মতীৰ অনুৰোধ মৰ্মে নগা পাহাৰলৈ পলাই যায়। সেই হেতুকে লৰাৰজাৰ মনৰ সংকা বাঢ়িল। গদাপাণিৰ সন্ধেদ উলিয়াবলৈ গদাপাণিৰ ভাৰ্যা জয়মতীক ৰাজদৰবাৰলৈ মাতি পঠায়। কিন্তু জয়মতীয়ে ৰজাঘৰীয়াৰ তৎপৰতা নস্যাৎ কৰি সমকালীন নাৰীৰ পতিভক্তি আৰু দেশভক্তিৰ এক অনন্য দৃষ্টান্ত দাঙি ধৰি স্বামীৰ বাতৰি দিয়াৰ পৰা নিজকে নিলগাই ৰাখিছিল। জয়মতীৰ এই আকোৰগোজালী মনোবৃত্তিত অতিষ্ঠ হৈ লালুকসোলাৰ মন্ত্ৰনাত স্বৰ্গদেৱে জেৰেঙা পথাৰৰ কূটকুৰা গছত বান্ধি নানান অমানুষিক শাস্তি দিয়াই হ'লেও জয়মতীৰ মুখৰ পৰা স্বামীৰ বাতৰি উলিয়াবলৈ নিৰ্দেশ দিছিল। আৰু সেই অনুসৰি চাওদাং বৰুৱাই ৰাজ আজ্ঞা শিৰত লৈ জয়মতীক জেৰেঙা পথাৰলৈ নি নানান অমানুষিক নিৰ্যাতন দিছিল। কিন্তু জয়মতীয়ে একোলৈকে কেৰেপ নকৰি নিজৰ মতত অটল আছিল। চৈধ্যদিন নিষ্ঠুৰ চাওদাঙৰ নিৰ্মম নিৰ্যাতনৰ ফলত ভাৱে মানসিকভাৱে স্থিৰ যদিও শাৰীৰিকভাৱে দুৰ্বল হৈ পৰা স্থিতপ্ৰজ্ঞা জয়মতীয়ে চৰম নিৰ্যাতন ভুগি দেহত শেষ বিন্দু তেজ থকালৈকে হাৰ নামানি বঙহৰদেউ আৰু পিতৃভূমি সুৰক্ষাৰ হকে মৌন হৈয়েই মৃত্যুক আঁকোৱালি লৈছিল।

স্বদেশৰ বাবে সেই অবৰ্ণনীয় শাস্তি ভোগ কৰি জয়মতী কুঁৱৰীয়ে মৃত্যুবৰণ কৰিলে যদিও দুৰাচাৰী লালুকসোলাক স্বামীৰ সন্ধান নিদিলে। মহীয়সী জয়মতী কুঁৱৰীৰ স্বদেশৰ প্ৰতি থকা প্ৰেম, মনোবল আৰু সহনশীলতা আজিও প্ৰতিগৰাকী নাৰীৰ বাবে আদৰ্শনীয় আৰু অসমীয়া জাতিৰ বাবে অক্ষয় গৌৰৱ।

জয়মতী কুঁৱৰী ধলপুৰাতে ৰ'দ আনি দিয়া প্ৰশস্তিৰ এক গান। নিজৰ মতত জয়ী হৈ মৃত্যুক সাবটি লোৱা মহীয়সী আহোম ৰমণী, বৰগোহাঁই জীয়ৰী জয়মতী কুঁৱৰীৰ ত্যাগে ৰুদ্ৰসিংহৰ দৰে এজন সফল স্বৰ্গদেৱক ৰাজ সিংহাসনত অলংকৃত কৰাইছিল। বিশৃঙ্খলতাৰ বিপৰীতে এক সুস্থিৰ ৰাজনৈতিক বাতাবৰণ দেশবাসীক উপহাৰ দিয়া জয়মতী কুঁৱৰী আজি কায়িকভাৱে আঁতৰি গৈছে যদিও তেওঁ আজিও মৃত্যুক জিনি জীয়াই আছে জয়দৌলৰ সুউচ্চ কলচীৰ ওপৰত আৰু বিশাল জয়সাগৰৰ জল পৰিধিৰ মাজত।

## সপোনৰ সুৰ



**নাচিমা য়াচমিন, বিশ্বনাথ চাৰিআলি**

তুমি আছা বাবে
হাজাৰ সপোন জাগে
এই আৱেগিক হৃদয়ত,
তুমি আছা বাবে
বিলীন হয় দুটি নয়ন
কল্পনাৰে সাগৰত।
তুমি আছা বাবে
নিশা উজাগৰে থাকিব শিকোঁ ;
তুমি আছা বাবে
আত্মাৰ গভীৰ সোঁতত
অনুভৱত কথা পাতিব পাৰোঁ ।
তুমি আছা বাবে
ডায়েৰী নাথাকে মোৰ শূণ্য;
তুমি আছা বাবে
মোৰ অন্তৰাত্মা আজি পৰিপূৰ্ণ।
তুমি আছা বাবে
মনত বেদনাৰ উমান নাপাওঁ ;
তুমি আছা বাবে
সুখৰ দলিচাত টোপনি যাওঁ।

# বিশ্বায়নৰ যুগত খিলঞ্জীয়াৰ অধিকাৰ সাব্যস্ত হ'ব কিদৰে?




খুব সুন্দৰ বিষয়। বৰ্তমান ই এক ডাঙৰ প্ৰত্যাহ্বান ৰূপে পৰিগণিত হৈছে। একোটা জাতিৰ পৰিচয় বহন কৰে সেই জাতিটোৰ ভাষা-সংস্কৃতিৰ জৰিয়তে। আমাৰ দেশ ভাৰতবৰ্ষত বাস কৰা প্ৰতিখন ৰাজ্যৰ বাসিন্দাৰ ভাষা-সংস্কৃতি বেলেগ বেলেগ। অসম এখন বহুল জাতি জনগোষ্ঠীয় ৰাজ্যৰ আমি বাসিন্দা - আমি খিলঞ্জীয়া বুলি অনুভৱ কৰো।

কিন্তু আমাৰ খিলঞ্জীয়া বুলি অনুভৱ কৰিলেই নহ'ব, হাতে কামে কৰি দেখুৱাব লাগিব। আমাৰ দেশত নিবনুৱা এটা ডাঙৰ সমস্যা। যুৱক সকলে যদি চাকৰিৰ ওপৰতে ভৰসা নকৰি কিছুমান থলুৱা শিল্প, বিভিন্ন কৰ্মক্ষেত্ৰত যেনে-মীন পালন, গাহৰি আদি প্ৰতিপালন, বাঁহ বেতৰ বিভিন্ন সামগ্ৰী বনোৱা কৰ্ম মনোনিৱেশ কৰে তেতিয়া আৰ্থিক ভাৱে নিশ্চয় সবল হ'ব। কিছুমান যুৱক ইতিমধ্যে এই দিশত মনোনিৱেশ কৰিছে। অৰ্থনৈতিক ভাৱে সফলতা থাকিলে দেশ এখনৰ বহুত উন্নতি হয়। তেতিয়া খিলঞ্জীয়া শব্দটোৰ পৰিপূৰ্ণতা লাভ কৰিব।

বৰ্তমান বিশ্বায়নৰ যুগ। সময়ৰ লগে লগে মানুহৰ ধ্যান -ধাৰণা, ( সাতপৃষ্ঠাত চাওক)

**অনামিকা (সংগীতা)কলিতা, শুৱালকুছি**

# The importance of preserving magazines and newspaper cuttings




Preserving magazines and newspaper cuttings is a meaningful and essential practice that holds significant value for individuals and society alike. These materials serve as invaluable windows into the past, offering unique insights into historical events, cultural movements, societal changes, and everyday life across different time periods. By safeguarding such documents, we ensure that the knowledge, memories, and perspectives contained within them remain accessible for future generations.

Magazines and newspaper cuttings are primary sources that provide firsthand accounts of events, offering an authentic view of how situations unfolded and were perceived at the time. For example, newspaper reports from the time of World War II or India's independence offer detailed narratives and societal reactions that no textbook can fully replicate. These preserved materials allow people to connect with history in a deeply personal and immersive way.

Beyond historical value, they are immensely useful for research and education. Scholars, students, and historians often rely on old magazines and newspapers to explore a wide range of subjects — from politics and economics to fashion and public opinion. A student researching the evolution of environmental awareness in society can find a wealth of information in articles and editorials published over decades. Similarly, a scholar examining advertising trends can trace changes in marketing strategies through magazine spreads across the years.

Preserved publications also carry strong sentimental value. They often commemorate personal milestones and cherished memories. A family might keep a newspaper clipping of a wedding announcement or a school achievement. A magazine featuring a loved one or a long-admired celebrity can become a treasured keepsake. These items reflect individual histories as much as they do collective ones, making their preservation all the more worthwhile.

To ensure the longevity of these delicate materials, proper handling and storage are crucial. Magazines and newspapers are typically printed on low-quality paper that deteriorates over time. They must be handled with clean hands and stored flat, without folding or crumpling. Acid-free folders, envelopes, and boxes are ideal for storage as they help prevent yellowing and brittleness. Storage conditions also matter — avoid exposure to direct sunlight, humidity, and extreme temperatures, all of which can accelerate deterioration.

An increasingly popular method of preservation is digitisation. This process involves scanning or photographing the materials and saving them in digital formats. Digitised versions not only prevent physical damage but also make these documents easier to organise, search, and share. Libraries, archives, and even individuals can use digital technology to protect valuable records while making them more widely accessible.

Preserving magazines and newspaper cuttings is, therefore, not merely about holding onto paper. It is about preserving the thoughts, emotions, knowledge, and events of past times. These preserved materials offer a rich tapestry of human experience that helps us understand how we arrived at where we are today.

In the final analysis, the preservation of magazines and newspaper cuttings is essential for maintaining a meaningful connection to our past. Whether used for historical research, educational purposes, or personal reflection, these materials carry a richness that cannot be recreated once lost. Through conscious preservation efforts, we contribute to a broader cultural memory and ensure that future generations can learn from and appreciate the legacies we choose to protect.

Ultimately, this task demands care, effort, and foresight — but the rewards are invaluable. By recognising the significance of magazines and newspaper cuttings and taking steps to preserve them, we honour our history, enrich our present, and safeguard knowledge and memories for the years to come.

**Heramba Nath**

## মনৰ বতৰা



**ড° ৰমেশ কুমাৰ কাকতি**
**উত্তৰ লক্ষীমপুৰ, লক্ষীমপুৰ**

(১)

বুকুত কাঁইটে বিন্ধিছে,
বিন্ধক...
উলিয়াই নিদিবা,
অকণমান বিষালেই মনত পৰিব
এৰি অহা অতীতৰ সকলো ঘটনা।

(২)

পথ মসৃণ নোহোৱা বাবেই
ভৰিৰ আঙুলি ক্ষত-বিক্ষত কৰি
যন্ত্ৰণাই শিকালে জীৱন মানে কি?

(৩)

আয়ে শিকোৱাই নাছিল
দুখৰ দিনৰ যন্ত্ৰণাবোৰ
এমোকোৰা হাঁহিৰে ঢাকিবলৈ।

(৪)

আঁউসীৰ এন্ধাৰেৰে পোহৰক জানো
পূৰ্ণাহুতি দিব পাৰে?
প্ৰতিপদ তিথিতে জোন জিলিকে।

# কুৎসিত, ঠেক চিন্তাধাৰাৰ ব্যক্তিয়ে নিজকে শ্ৰেষ্ঠ আৰু শুদ্ধ জ্ঞান কৰে

শৈলেন কুমাৰ, মিৰ্জা



আমি সাধৰণতে সামাজিক, আৰ্থিক, সাংসাৰিক, ৰাজনৈতিক, প্ৰাকৃতিক, ধৰ্মীয়সাংস্কৃতি আদি বিভিন্ন ক্ষেত্ৰৰ লগত জড়িত অথবা আমাৰ পৰিচয় এই বিষয় সমূহৰ মাধ্যমেৰে হয়। বিভিন্নজনে বিভিন্ন ক্ষেত্ৰত পাৰদৰ্শী বুলি জহাব পাৰে কিন্তু পূৰ্ণদৰ্শী কোন ? তাৰ বিবেচনা জানো কোনোবাই কৰে? আমি জানো কৰবাত ভ্ৰমিত হৈ থকা নাই নে, সকলো বিষয়বস্তুৰ জ্ঞানী বুলি আমি ভাবিবলৈ ল'লে কেতিয়াবা মনত সংশয়, সন্দেহ উপজাতো স্বাভাৱিক কথা। বিষয়বস্তুৰ বাহিৰেও আমাৰ নিজস্বতা থাকিব পাৰে আৰু থকাটো উচিত । নিজস্বতা অবিহনে আমি মেৰুদণ্ডহীন হৈ পৰোঁ । কিন্তু নিজস্বতা অহংকাৰৰ প্ৰতীকো হ'ব পাৰে যদিহে নিজস্বতা কেৱল বিষয়বস্তুৰ ওপৰত প্ৰতিষ্ঠিত হয়। নিৰ্লজ-ভাৱে তথা নিৰ্ভীকভাৱে যদি বিষয়বস্তুৰ প্ৰতি আওকাণ কৰি আগুৱাই যাবলৈ প্ৰয়াস কৰোঁ তেতিয়াহলে আপোনাৰ নিজস্বতাৰ বহিপ্ৰকাশ হব পাৰে অন্যথা আপুনি এজন অজ্ঞানী, অহংকাৰী যধামূৰ্খ বিবেচনা কৰিব পাৰে। জীৱনটো যদি বিষয় হয় তেতিয়াহ'লে আপোনাৰ নিজৰ বুলিবলৈ কি আছে ? হাঁহ-মুৰ্গী বোৰ যিদৰে গড়ালত আবদ্ধ হৈ মালিকৰ শাসন, শোষণৰ ওপৰত নিৰ্ভৰশীল হৈ পৰে ঠিক তেনেদৰে আমাৰো জীৱনবোৰ মুক্ত গড়ালত শোষণৰ মাজত আবদ্ধ হৈ পৰে, দেখিবলৈ আমি মুক্ত অনুভৱ কৰিব পাৰোঁ কিন্তু আমি মেৰুদণ্ডহীন, নিজস্বতা আমাৰ নাই । আমি পংগুত্বক আকোঁৱালি লৈ নিজক সন্তুষ্টি দিবলৈ বিষয়বস্তুক প্ৰাধান্য দিবলৈ আৰম্ভ কৰি নিজকে শ্ৰেষ্ঠ আৰু শুদ্ধ হিচাপে স্বীকৃতি প্ৰদান কৰোঁ। আমাৰ মুখত কুটিল হাঁহি কিন্তু আমিবোৰ জীৱন্তৰূপত একো একোটা মৃতদেহ। যাৰফলত পতনৰ ফালে দ্ৰুতগতিত ধাৱমান মানৱজাতি। আজি অসুৰে অভিসন্ধি ৰচনা কৰিছে, মানৱজাতিক ধ্বংস কৰাৰ আখৰা এয়া। প্ৰাণহীন শৰীৰবিলাক পুতলা সদৃশ হৈ বিষয়বস্তুৰ সৃষ্টিকাৰী বৰমূৰীয়াৰ হাতত, পুঁজিপতিৰ কৰাল গ্ৰাসত আজিৰ সমাজ। চৌদিশে হাহাকাৰ, অৰাজকতা, গুণ্ডাৰাজ আমি সকলো দেখিশুনিও নিজৰ মাজৰ বিষয়বস্তুৰ মাজত আবদ্ধ । দমিত কণ্ঠৰে হোৱা সুপ্ত প্ৰতিবাদ বোৰো এতিয়া ক্ষমতা আৰু অৰ্থৰ পয়োভৰত দমিত হয়। ধৰ্মৰ নামত অধৰ্ম, অধাৰ্মীক আজি ধৰ্মৰ উপাসক, দেশত বিভাজন, হিংসা- হত্যা, লুণ্ঠন অধঃপতন। চৰম ব্যভিচাৰী, উদ্ভণ্ডালি কৰি শ্ৰেষ্ঠ শুদ্ধ হব পৰা নেযায়, নিজস্ব বিষয়, আসক্তিক হত্যা কৰি শ্ৰেষ্ঠতা, শুদ্ধতা অৰ্জন কৰিব পৰা যায়। বলিয়ামী, বাহুল্যমীৰ শীৰ্ষত যেতিয়া মনমগজু চিন্ন-ভিন্ন হৈ পৰে তেতিয়া ৰাইজ স্বতঃস্ফূৰ্ত ভাৱে ওলাই আহে আৰু অসুৰ বধৰ ভাওনা পাতে। কিন্তু বাস্তৱত নিজৰ ভিতৰত সংস্থাপিত অসুৰবধ কেতিয়া হ'ব? যেতিয়া লৈ ভিতৰত সংস্থাপিত অসুৰবধ নহয় তেতিয়ালৈকে বাহিৰৰ অসুৰবধ সপোনৰ অৱসাদ।

# শ্ৰেষ্ঠ ঋতুঃ বসন্ত



নিৰ্মালি বৰা হাজৰীকা, নগাঁও

বসন্ত ঋতু ছয় ঋতুৰ ভিতৰত শ্ৰেষ্ঠ ঋতু সেইবাবে ইয়াক ঋতুৰাজ বুলি কোৱা হয়। প্ৰকৃতিয়ে মনোমোহা ৰূপ লৈ এই ঋতুতেই। শীতৰ শেষত শুকানপাত সৰি গছলৈ ন-কুঁহিপাত আহে। গছে -বনে, ফলে-ফুলে জাতিষ্কাৰ হৈ পৰে। বসন্ত ঋতু ফাগুণ মাহৰ শেষ ভাগৰপৰা আৰম্ভ হৈ সম্পূৰ্ণ চ'ত আৰু ব'হাগ মাহৰ শেষলৈকে বসন্তকাল অনুভূত হয়। এই কালছোৱা বৰ সুন্দৰ আৰু আনন্দ দায়ক সময়। বেছি ঠাণ্ডা ও নহয় গৰমো নহয়। পাতলীয়া বৰষুণে ধৰিত্ৰী জীপাল কৰি তোলে। এই সময়ত শীতকালত শীতনিদ্ৰাত থকা জীৱ সমূহে সাৰ পায়। এই সময়ত বহু জীৱ-জন্তু যৌন মিলনত লিপ্ত হয়। কুলি-কেতেকীৰ মধুৰ মাতে অসমৰ পৰিৱেশ নান্দনিক কৰি তোলে। কুলিৰ মিলনৰ সময়ো এই ঋতুতেই হয় বাবে কুলিয়ে মাতি থাকে। কপৌফুল ফুলে। বিভিন্ন প্ৰজাতিৰ অৰ্কিড ফুল ফুলে। অসমৰ হাবিত বিভিন্ন ফুল ফুলা দেখা যায়। তাৰে কেইটামান নাম হ'ল- শিমলু, পলাশ, কাঞ্চন, তগৰ, খৰিকাজাই, কপৌ। অশোক ফুল, ঘোড়ানিম। মুচকুন্দ, দেবদাৰু, ৰুদ্ৰ পলাশ, ইউক্যালিপটাছ, নাগেশ্বৰ। শালগছৰ ফুল, ভাটৌফুল, চম্পা, কেতেকীফুল, মণিমালা, স্বৰ্ণশিমলু, কেতকীফুল, গমাৰী, মহুৱা, ক্যামেলিয়া আদি।

বসন্তকালত কৰা পাচলি হ'ল-জিকা,ভেণ্ডি, তিয়হ, স্কোৱাচ, জাতিলাও,লেচেৰামাহ, বিলাহী, চজিনা, বীণ আদি।সেউজীয়া শাক --খুতুৰা, মৰলীয়া, ভতুৰা, জিলমিল, মানিমুনি হোৱা দেখা যায়।ফলৰ ভিতৰত বগৰী, তৰমুজ, চিৰাল, আদি হয়। আমে মলিয়ায়। কঁঠালে মুচি পেলায়।

অসমীয়া জাতিৰ নতুন বছৰ ব'হাগ মাহৰ আৰম্ভণি হয়। হেপাহৰ ব'হাগ বিহুটি অতি উলহ-মালহেৰে পালন কৰে প্ৰতিজন অসমীয়াই। ৰংৰ উৎসৱ হোলিও বসন্ত ঋতুতেই পালন কৰা হয়। এই বসন্ত ঋতুৱে প্ৰকৃতিৰ বুকুলৈ মানুহৰ জীৱনলৈ নতুন প্ৰাণৰ সঞ্চাৰ কৰে।

# মহাকাশ কেন্দ্ৰত দিন-ৰাতি



বন্দিতা শৰ্মা কন্দলি

বিশ্বব্ৰহ্মাণ্ডৰ প্ৰতিটো বস্তুৱেই গতিশীল অৱস্থাত আছে। আমাৰ পৃথিৱীখনেয়ো সূৰ্যৰ চাৰিওফালে ঘূৰাৰ উপৰিও নিজ মেৰুদণ্ডৰ চাৰিওফালে ঘূৰি আছে। পৃথিৱীয়ে নিজ অক্ষৰ চাৰিওফালে এপাক ঘূৰিবলৈ সময় লয় ২৩ ঘণ্টা ৫৬ মিনিট ৮ ছেকেণ্ড। গণনাৰ সুবিধাৰ বাবে এদিনৰ হিচাপত ২৪ ঘণ্টা ধৰা হয়। এই গতিক আহ্নিক গতি বুলি কোৱা হয়। এই আহ্নিক গতিৰ বাবেই দিন -ৰাতি হয়। অৰ্থাৎ এই গতিৰ বাবেই পৃথিৱীৰ এক প্ৰান্তত দিন হ'লে আনটো প্ৰান্তত ৰাতি হয়। সেয়ে পৃথিৱীৰ যিকোনো স্থানৰ পৰা প্ৰতি দিনে এবাৰেই সূৰ্যোদয় আৰু সূৰ্যাস্ত দেখা পোৱা যায়।

আন্তজাৰ্তিক মহাকাশ কেন্দ্ৰত মহাকাশচাৰী সকলে এদিনত ১৬ বাৰ সূৰ্যাস্ত আৰু সূৰ্যোদয় দেখিবলৈ পায়। শুনি আচৰিত লাগিছে নহয় নে বাৰু! আচল কথাটো কি কওঁ শুনা। পৃথিৱীৰ পৰা প্ৰায় চাৰিশ মাইল ওপৰত এটা বৰ ডাঙৰ মহাকাশ গৱেষণা কেন্দ্ৰ আছে। সেই কেন্দ্ৰটো ১৯৯৮ চনৰ ২০ নৱেম্বৰত প্ৰথম মহাকাশত প্ৰতিষ্ঠা কৰা হৈছিল। মহাকাশ কেন্দ্ৰটো একেবাৰতে বহুত ডাঙৰ কৰা নাছিল। লাহে লাহে নতুন নতুন অংশ সংযোগ কৰি ফুটবল খেলপথাৰ এখনৰ সমান হৈছে। এই কেন্দ্ৰটোত সাতজন মহাকাশচাৰী থকাৰ সুবিধা আছে। মহাকাশচাৰী সকলে এই কেন্দ্ৰত অহৰ্নিশে গৱেষণা কৰি থাকে। এই মহাকাশ কেন্দ্ৰটোৱে পৃথিৱীৰ চাৰিওফালে ঘণ্টাত প্ৰায় সোতৰ হাজাৰ পাঁচশ মাইল গতিত ঘূৰি আছে। সেই হিচাপে মহাকাশ কেন্দ্ৰটোৱে পৃথিৱীৰ চাৰিওফালে এপাক ঘূৰিবলৈ সময় লয় মাত্ৰ ৯০ মিনিট। অৰ্থাৎ এদিনতে ১৬ বাৰ মহাকাশ কেন্দ্ৰটোৱে পৃথিৱীক প্ৰদক্ষিণ কৰে। সেই বাবেই আন্তজাৰ্তিক মহাকাশ কেন্দ্ৰত থকাৰ সময়ত মহাকাশচাৰী সকলে দিনটোত ১৬ বাৰ সূৰ্যাস্ত আৰু সূৰ্যোদয় দেখিবলৈ পায়। পৃথিৱীক প্ৰদক্ষিণৰ নিৰিখতেই আন্তৰ্জাতিক মহাকাশ কেন্দ্ৰত দিন আৰু ৰাতি হয়। পৃথিৱীয়ে নিজ অক্ষত এবাৰ ঘূৰোতে মহাকাশ কেন্দ্ৰটোৱে পৃথিৱীক ১৬ বাৰ প্ৰদক্ষিণ কৰে।মহাকাশ কেন্দ্ৰটোৰ এবাৰ প্ৰদক্ষিণৰ সময় ৯০ মিনিট । সেয়ে ৪৫ মিনিটৰ বাবে তাত সূৰ্যৰ পোহৰ দেখে অৰ্থাৎ দিন হয় আৰু বাকী ৪৫ মিনিট আন্ধাৰ অৰ্থাৎ ৰাতি হয়। সময়ৰ হিচাপ ৰাখিবলৈ মহাকাশচাৰী সকলে পাৰমাণৱিক ঘড়ী ব্যৱহাৰ কৰে। ইমান ঘনাই দিন -ৰাতি হৈ থাকিলে কেনেকুৱা লাগিব বাৰু ?

# বিশ্বায়নৰ যুগত

ৰুচি- অভিৰুচি সলনি হৈছে। এখন দেশৰ ভাৱধাৰা-সংস্কৃতিৰ প্ৰভাৱ আন এখন দেশত পৰিছে বা আকোৱালি লৈছে এয়া কোনো ভুল নহয়। পৃথিৱীৰ আমি সকলো একত্ৰিত হৈ নিজৰ সংস্কৃতিৰ উৎকৰ্ষ সাধন কৰা ভাল কথা।

বৰ্তমান আমাৰ দেশতো বিশ্বয়ানৰ প্ৰভাৱ পৰিছে। যাৰ ফলত খোৱা-বোৱা, পিন্ধা-উৰা সকলোতে পশ্চিমীয়া ধৰণ স্পৰ্শ কৰিছে । আজিৰ অসমীয়া খাৰ খাব নজনা হ'ল । ফাছফুড, জুছ ইত্যাদি খাদ্যৰ প্ৰতি মানুহৰ স্পৃহা বাঢ়ি যোৱা দেখিবলৈ পাইছোঁ। মেখেলা-চাদৰ, ধুতি ইত্যাদিৰ ঠাইত চুৰিদাৰ, স্কাৰ্ট, টপ, লংপেন্ট ইত্যাদি সাজপাৰৰ প্ৰচলন বেছি হ'ল। ঠিকে আছে সময়ে বাধ্য কৰিলেও আমাৰ থলুৱা সাজপাৰ খিনি জাতীয় উৎসৱ বা সামাজিক ৰীতি- নীতিত ব্যৱহাৰ কৰিব লাগিব।

বিশ্বায়নৰ প্ৰয়োভৰত আমাৰ সংস্কৃতি যাতে উটি ভাঁহি নাযায় তালৈও লক্ষ্য ৰাখিব লাগিব। তেতিয়াহে খিলঞ্জীয়া অধিকাৰ সুৰক্ষিত হ'ব।

# ‘জনসেৱা-সঁচা মানুহ বিচাৰি’ৰ বিহু নাচ কৰ্মশালা শুভাৰম্ভ



ৰঙিলী বাৰ্ত্তাসেৱা- মহানগৰীৰ ফটাশিল-গড়চুক অঞ্চলৰ স্বেচ্ছাসেৱী সংস্থা ‘জনসেৱা--সঁচা মানুহ বিচাৰি’ৰ উদ্যোগত ৩ এপ্ৰিলত চম্পাৱতী হাইস্কুল প্ৰাংগনত বিহু নাচ আৰু ঢোল বাদনৰ কৰ্মশালাৰ শুভাৰম্ভ কৰা হয়। জ্যেষ্ঠ সদস্য মদন মোহন তালুকদাৰে আঁত ধৰা অনুষ্ঠানত উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক নুৰুল হক আহমেদে। জ্যেষ্ঠ সদস্য গকুল বৰুৱাই কৰ্মশালাখন উদ্বোধন কৰে। প্ৰতিদিনে আবেলি ৩ঃ৩০ বজাৰ পৰা ৫ঃ৩০ বজালৈ অনুষ্ঠিত হৈ থকা কৰ্মশালাত প্ৰশিক্ষক হিচাপে উপস্থিত থাকে মুখ্য প্ৰশিক্ষিকা, বিহুৱতী কস্তুৰী কাশ্যপ, বিহুৱা মৃণাল দাস, সহ প্ৰশিক্ষক, বিহুৱা অনিৰুদ্ধ ভুএগ্ৰাকে আদি কৰি কেবাজনো অভিজ্ঞ প্ৰশিক্ষকে প্ৰশিক্ষণ দিয়ে।কৰ্মশালাত প্ৰায় ৩৫ গৰাকীয়ে অংশগ্ৰহণ কৰে। কৰ্মশালাখন ৯ এপ্ৰিলত সামৰণি পৰিব।

# ডিব্ৰুগড় শ্বহীদ ন্যাসত আছুৰ সংবাদমেল



ৰঙিলী বাৰ্ত্তাসেৱা- ডিব্ৰুগঞ্জৰ চৌকিডিঙী খেলপথাৰৰ বহাগী ক্ষেত্ৰত অনুষ্ঠিত হ'বলগীয়া সদৌ অসম ছাত্ৰ সন্থাৰ ডিব্ৰুগড় জিলা সমিতিৰ কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলনখনি অহা ২৮, ২৯ আৰু ৩০ এপ্ৰিলত অনুষ্ঠিত হ'ব। কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলনত কণ্ঠশিল্পী আচুৰ্ব বৰপাত্ৰৰ সংগীতানুষ্ঠানৰ লগতে সদৌ অসম ভিত্তিত নগদ ধন সম্বলিত বৰ বিহুৱতী, মুকলি বিহু আৰু সদৌ অসম ভিত্তিত হুঁচৰি প্ৰতিযোগিতাও অনুষ্ঠিত হব। ডিব্ৰুগড় কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলনত অসমৰ বহু কেইগৰাকী জনপ্ৰিয় অভিনেতা- অভিনেত্ৰী, কণ্ঠশিল্পী উপস্থিত থাকিব। এইবাৰ বহাগী ক্ষেত্ৰত অসমৰ দুগৰাকী স্বনাম ধন্য পুৰোধা বিশিষ্টব্যক্তি ক্ৰমে সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, মিতভাষ স্ৰষ্টা ড° নগেন শইকীয়া আৰু আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন বিশিষ্ট অভিনেতা বিষ্ণু খাৰঘৰীয়াক ২০২৫ বৰ্ষৰ “ডিব্ৰু সন্মান” প্ৰদান কৰা হ'ব বুলি ডিব্ৰুগড়ৰ ছহিদ ভৱনত ৩ এপ্ৰিলত অনুষ্ঠিত হোৱা এক সংবাদ মেলত প্ৰকাশ কৰে ডিব্ৰুগড় জিলা আছুৰ সভাপতি ৰূপজ্যোতি বৰঠাকুৰ, ডিব্ৰুগড় ছাত্ৰ সন্থাৰ তনুজ হালৈ আৰু পাপু শইকীয়াই। তেখেত সকলে অসমৰ ৰাইজৰ উপস্থিতি আৰু সহযোগিতাৰো সংবাদমেল যোগে কামনা কৰে।

# স্থগিত ৰখা একাদশ

পৰীক্ষাৰ মানৰ সৈতে সংগতি থকাকৈ প্ৰশ্নকাকতসমূহ পৰিষদে যোগান ধৰি আহিছে। অৱশ্যে পৰীক্ষাসমূহ কোনো বাধা নোহোৱাকৈ বিদ্যালয়ৰ পৰীক্ষাৰ দৰেই অনুষ্ঠিত কৰা হৈছিল। সেয়েহে যিসকল প্ৰতিষ্ঠান অথবা শিক্ষাৰ্থীয়ে বৈ যোৱা বিষয়সমূহত নিজৰ মূল্যায়ন কৰিব বিচাৰে, তেওঁলোকে সংশ্লিষ্ট পৰীক্ষা কেন্দ্ৰৰ পৰা অধ্যয়ন আৰু অনুশীলনৰ বাবে প্ৰশ্নকাকতসমূহ সংগ্ৰহ কৰিব পাৰিব। কিন্তু ইতিমধ্যে যিসমূহ বিদ্যালয়ত প্ৰশ্নকাকত ফাদিল হৈছে, তেওঁলোকক বৈ যোৱা বিষয়সমূহৰ প্ৰশ্নকাকতসমূহ সংগ্ৰহ কৰিবলৈ অনুমতি প্ৰদান কৰা নহ'ব বুলিও পৰিষদে স্পষ্ট কৰি দিছে। আনহাতে, বৈ যোৱা বিষয়সমূহত কিদৰে বিদ্যালয়সমূহে শিক্ষাৰ্থীক নম্বৰ প্ৰদান কৰিব লাগিব সেই সন্দৰ্ভতো পৰিষদে নিৰ্দেশনা প্ৰদান কৰিছে। ব'ৰ্ডে প্ৰকাশ কৰা অনুসৰি গোট পৰীক্ষা, ছয়মাহিলি পৰীক্ষা অথবা ইতিমধ্যে অনুষ্ঠিত হোৱা পৰীক্ষাসমূহত লাভ কৰা নম্বৰৰ গড় হিচাপত অথবা আন যিকোনো উপযুক্ত পদ্ধতি অনুসৰণ কৰি শিক্ষানুষ্ঠানসমূহে শিক্ষাৰ্থীসকলক নম্বৰ প্ৰদান কৰিব লাগিব। অহা ১৫ জুনৰ ভিতৰত সংশ্লিষ্ট বেবছাইটত শিক্ষানুষ্ঠানসমূহে নম্বৰ আপলোড প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিব লাগিব বুলিও পৰিষদে নিৰ্দেশ দিছে।

# প্ৰবীণ অভিনেতা মনোজ কুমাৰৰ দেহাৱসান



ৰঙিলী বাৰ্ত্তাসেৱা- বলিউডৰ প্ৰবীণ অভিনেতা, চলচ্চিত্ৰ পৰিচালক মনোজ কুমাৰ আৰু নাই। ৮৭ বছৰ বয়সত শেষ নিশ্বাস ত্যাগ কৰে প্ৰবীণ অভিনেতাগৰাকীয়ে। মুম্বাইৰ কোকিলাবেন ধীৰুভাই আম্বানী চিকিৎসালয়ত মৃত্যু হয় মনোজ কুমাৰৰ। বাৰ্ধক্যজনিত একাধিক শাৰীৰিক সমস্যাত দীৰ্ঘদিন ধৰি ভুগি আছিল অভিনেতাগৰাকীয়ে। লিভাৰ ছিৰ'ছিছৰ বাবে অভিনেতাগৰাকীৰ স্বাস্থ্যৰ দ্ৰুত অৱনতি ঘটি আহিছিল। ২১ ফেব্ৰুৱাৰীত অভিনেতাগৰাকীক মুম্বাইৰ কোকিলাবেন ধীৰুভাই আম্বানি হাস্পতালত ভৰ্তি কৰোৱা হয়। চিকিৎসাধীন অৱস্থাত শুকুৰবাৰে পুৱা হাস্পতালখনত শেষ নিশ্বাস ত্যাগ কৰে বিশিষ্ট চলচ্চিত্ৰকাৰ তথা অভিনেতাগৰাকীয়ে। মনোজ কুমাৰৰ দেহাৱসানৰ লগে লগে বলীউডৰ এটা অধ্যায়ৰ যৱনিকা ঘটিল বুলি অনুৰাগীসকলে শোক প্ৰকাশ কৰিছে। ইফালে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও মনোজ কুমাৰৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে। অভিনেতাগৰাকীৰ মৃত্যুত শোকস্তব্ধ বলীউড। মনোজ কুমাৰৰ বিয়োগৰ লগে লগে বলীউডৰ ৰথী-মহাৰথীসকলে অভিনেতা তথা চলচ্চিত্ৰকাৰ গৰাকীৰ দেশৰ চলচ্চিত্ৰলৈ যি অসামান্য অৱদান আছিল, তাক সুঁৱৰি শোক প্ৰকাশ কৰিছে। স্মৰ্তব্য যে দেশ আৰু দেশপ্ৰেমী আছিল মনোজ কুমাৰৰ অভিনয়ৰ পৰিচয়। ‘শ্বহীদ’, ‘পূৰব ঔৰ পশ্চিম’, ‘ক্ৰান্তি’, ‘কটি কপৰা ঔৰ মকান’ আদি ছবিয়েই মনোজ কুমাৰৰ নামৰ সৈতে জড়িত কৰাই দিছিল দেশৰ পৰিচয়। সেইবাবে অভিনেতাগৰাকীক ‘ভাৰত কুমাৰ’ উপাধিৰে সন্মানিত কৰা হৈছিল। অভিনেতাগৰাকীৰ বিয়োগত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এক্স হেণ্ডেলত উল্লেখ কৰিছে যে দেশভক্তিৰ বিষয়টো প্ৰতিটো দৃশ্যত দেখুৱাবলৈ সক্ষম হৈছিল মনোজ কুমাৰে। পৰ্দাত মনোজ কুমাৰে যিদৰে দেশৰ প্ৰতি প্ৰেম দেখুৱাইছিল দেশ আৰু দেশবাসীয়ে তেওঁক আজীৱন সেই ধৰণেই মনত ৰাখিব বুলিও মোদীয়ে উল্লেখ কৰিছে। মনোজ কুমাৰৰ শূন্যতা পূৰণ কৰিব পৰা নাযাব বুলি উল্লেখ কৰাৰ লগতে প্ৰধানমন্ত্ৰী মোদীয়ে অভিনেতাগৰাকীৰ পৰিয়াললৈ এই মুহূৰ্তত সমবেদনা জ্ঞাপন কৰিছে। স্মৰ্তব্য যে মনোজ কুমাৰৰ পুত্ৰ কুনাল গোস্বামীও অভিনয়ৰ জগতখনৰ সৈতে জড়িত যদিও পিতৃৰ সমান খ্যাতি লাভ কৰিবলৈ সক্ষম হোৱা নাই পুত্ৰ। ১৯৩৭ চনত মনোজ কুমাৰৰ জন্ম হৈছিল এটা পাঞ্জাবী ব্ৰাহ্মণ পৰিয়ালত। পিতৃপ্ৰদত্ত নাম আছিল হৰিকৃষ্ণ গোস্বামী। কিন্তু ছবিৰ জগতত যুগৰ ধাৰা মানি তেওঁ নিজক মনোজ কুমাৰ বুলি পৰিচয় দিছিল। ১৯৫৭ চনত বলীউডত পদাৰ্পণ কৰে মনোজ কুমাৰে। দেশপ্ৰেমত উদ্বুদ্ধ এখনৰ পাছত এখন ছবিত অভিনয় কৰি তেওঁ পাইছিল বিপুল জনপ্ৰিয়তা। এই ছবিসমূহৰ কেইবাখনো নিজেই পৰিচালনা কৰিছিল মনোজ কুমাৰে। উপকাৰ ছবিত মনোজ কুমাৰৰ ওঠৰ ‘মেৰী দেশ কী ধৰতী’ আজিও ভাৰতবাসীৰ তেজত প্ৰবাহিত হৈ আছে। স্মৰ্তব্য যে উপকাৰ ছবিখন তেতিয়াৰ প্ৰধানমন্ত্ৰী লাল বাহাদুৰ শাস্ত্ৰীৰ অনুৰোধমৰ্মে নিৰ্মাণ কৰিছিল মনোজ কুমাৰে। শাস্ত্ৰীয়ে ‘জয় জোৱান, জয় কিষাণ’ বাৰ্তা দিব পৰা ছবি এখন নিৰ্মাণৰ বাবে অনুৰোধ জনাইছিল মনোজ কুমাৰক। প্ৰধানমন্ত্ৰীগৰাকীৰ অনুৰোধমৰ্মে এই ছবিখন নিৰ্মাণ কৰিছিল কুমাৰে। দেশজুৰি এই চিনেমাখনে বিপুল জনপ্ৰিয়তা লাভ কৰিবলৈ সক্ষম হৈছিল। ইফালে ‘শ্বহীদ’ ছবিত কৰা অভিনয়ৰ বাবে প্ৰথম ৰাষ্ট্ৰীয় পুৰস্কাৰ পাইছিল মনোজ কুমাৰে। পুৰস্কাৰৰ ধন বিপ্লৱী ভগৎ সিঙৰ পৰিয়ালক সাহায্য হিচাপে প্ৰদান কৰি মহানুভৱতাৰ পৰিচয় দিছিল মনোজ কুমাৰে। বলীউডৰ এই নক্ষত্ৰৰ পতনৰ লগে লগে দেশজুৰি অনুৰাগীসকলে শোক প্ৰকাশ কৰিছে। সমগ্ৰ বলীউডত শোকৰ ছাঁ পৰিছে ‘দেশভক্ত’ মনোজ কুমাৰৰ বিয়োগত। ১৯৭৫ চনত ‘কটি কপৰা ঔৰ মকান’ ছবিৰ বাবে ফিল্ম ফেয়াৰত শ্ৰেষ্ঠ পৰিচালকৰ সন্মান লাভ কৰিছিল মনোজ কুমাৰে। ১৯৯২ চনত পদ্মশ্ৰী সন্মানেৰে সন্মানিত কৰা হয় ‘ভাৰত কুমাৰ’ খ্যাত চলচ্চিত্ৰকাৰগৰাকীক। ১৯৯৯ চনত জীৱনজোৰা সাধনা বঁটা লাভকৰে মনোজ কুমাৰে। ২০১৫ চনত চলচ্চিত্ৰ জগতখনৰ সৰ্বোচ্চ সন্মান ‘দাদা চাহেব ফাল্কে’ বঁটা প্ৰদান কৰা হয় অভিনেতা-পৰিচালকগৰাকীক। শনিবাৰে মুম্বাইত শেষকৃত্য সম্পন্ন কৰা হয় মনোজ কুমাৰৰ।

# ৰাজ্যৰ অন্যান্য প্ৰান্তৰ লগতে মাজুলীৰো বিভিন্ন প্ৰান্তৰ অনুষ্ঠিত হৈছে বিহু কৰ্মশালা



ৰঙিলী বাৰ্ত্তাসেৱা- পদুলি মুখত ৰঙালী বিহু। অসমীয়াৰ বাপতি সাহোন ৰঙালী বিহুলৈ মাজত মাথো কেইটামান দিন বাকী ।ৰাজ্যৰ অন্যান্য প্ৰান্তৰ লগতে মাজুলীৰো বিভিন্ন ঠাইত দল সংগঠন, অনুষ্ঠান- প্ৰতিষ্ঠানে আয়োজন কৰিছে বিহু কৰ্মশালাৰ। উজনি মাজুলীৰ নৰৰতনপুৰ গাঁৱত অনুষ্ঠিত ১০ দিনীয়া বিহুনাচ আৰু বিহুনাম কৰ্মশালাৰ সফলতাৰে সামৰণি পৰিছে। অঞ্চলটোত পৰিচিত স্থানীয় সাংস্কৃতিক কৰ্মী পুৰ্ণানন্দ শইকীয়াৰ প্ৰচেষ্টাত তথা গাঁওখনৰ মহিলা সকলৰ সহযোগত প্ৰায় অৰ্ধশতাধিক প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰা কৰ্মশালাখনিত লখিমপুৰৰ কেকুৰী বিহু দলৰ কেইবাজনো প্ৰশিক্ষকে প্ৰশিক্ষণ প্ৰদান কৰে। ইফালে গড়মূৰ কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলন - ২০২৫ ৰ উদযাপন সমিতিৰ উদ্যোগত, “ৰিভাৰাইন ক্লাৱ' আৰু ‘গড়মূৰ টাউন ক্লাৱ'ৰ সহযোগত ৭ দিনীয়া বিহুনাচ আৰু ঢোলবাদন কৰ্মশালা যোৱা এক এপ্ৰিলৰ পৰা গড়মূৰৰ মিনি ষ্টেডিয়ামত অনুষ্ঠিত হৈছে ।কৰ্মশালাখনিত মুখ্য প্ৰশিক্ষক হিচাপে আছে যোৰহাটৰ বাবুল বৰা, সহঃ প্ৰশিক্ষক হিচাপে আছে মেঘনা ভুএগ্ৰা, চিংকী বৰুৱা, দীনা কলিতা, পাৰ্থপ্ৰতিম বৰা আৰু সমীৰণ হাজৰিকা। কৰ্মশালাখনিত প্ৰায় দুই শতাধিক প্ৰশিক্ষাৰ্থীয়ে প্ৰশিক্ষণ গ্ৰহণ কৰিছে।

# বিহালীত মুখ্যমন্ত্ৰী মহিলা

আহিছে। মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ জৰিয়তে অসম চৰকাৰে নাৰী সমাজক আৰ্থিক দিশত আগুৱাই নিয়াৰ এক বৃহৎ যাত্ৰাত অগ্ৰসৰ হৈছে। এই আঁচনিখনে মহিলা সমাজক সৰ্বতোপ্ৰকাৰে উপকৃত কৰিব। ৰাজ্যখনৰ প্ৰতিগৰাকী মহিলাৰে বেংক একাউন্ট আছে আৰু ইয়ে চৰকাৰী আঁচনিৰ ধন প্ৰত্যক্ষভাৱে লাভ কৰাৰ দিশত সহায়ক হৈ উঠিছে। প্ৰাৰম্ভিক মূলধন হিচাপে ১০ হাজাৰ টকাৰ উচিত ব্যৱহাৰৰ ভিত্তিত দ্বিতীয় বৰ্ষত ২৫ হাজাৰ টকা লাভ কৰিব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ইয়াৰে ১২, ৫০০ টকা বেংকে ঋণ হিচাপে আৰু সম-পৰিমাণৰ ধন চৰকাৰী সমৰ্থন হিচাপে লাভ কৰিব। যিসকল মহিলাই ব্যৱসায়ত সফলতা লাভ কৰিব তেওঁলোকে তৃতীয় বৰ্ষত ৫০ হাজাৰ টকা লাভ কৰিব। প্ৰথম পৰ্যায়ত বিহালী বিধানসভা সমষ্টিত ২৩, ৩৭৫গৰাকী মহিলাক এই অভিযানৰ অধীনত সামৰি লোৱা হৈছে আৰু ইয়াৰ বাবদ সামগ্ৰিকভাৱে সমষ্টিটোৰ মহিলাসকলে ২৩০ কোটি টকা লাভ কৰিব। মহিলাসকলৰ আৰ্থিক উত্তৰণত সহায়ক হোৱা পদক্ষেপৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে মহিলা আত্মসহায়ক গোটসমূহে পূৰ্বৰ সকলো সুবিধা লাভ কৰি থাকিব। ৰাজ্যখনৰ ২.১৭ লাখ মহিলা আত্মসহায়ক গোটলৈ ৰাজ্য চৰকাৰে ১, ০৯০ কোটি টকা আগবঢ়াইছে। ব্যৱসায়-বাণিজ্যৰ সহায়ক হোৱাকৈ ই-কৰ্মাচ প্লেটফৰ্ম গঢ়ি তোলা হৈছে। অসমত মহিলা আত্মসহায়ক গোটৰ সদস্যসকলে ১৭, ১১৪ কোটি টকা লাভ কৰিছিল আৰু ইয়াৰে ৯৯ শতাংশ ধনেই বেংকক ওভতাই দিছে। ভাষণত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে যিসকল বিদ্যাৰ্থীয়ে মেট্ৰিক পৰীক্ষাত অৱতীৰ্ণ হ'ব তেওঁলোকক ছয় মাহ আগৰে পৰা ৩০০ টকাকৈ প্ৰদান কৰিব যাতে টিউচন লোৱাৰ সুযোগ লাভ কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই আৰু কয় যে চলিত বৰ্ষৰ ১০ অক্টোবৰত ৰাজ্যখনত পুনৰ ৫০ হাজাৰ যুৱক-যুৱতীক চৰকাৰী চাকৰিত নিযুক্তি প্ৰদান কৰা হ'ব। স্নাতক উত্তীৰ্ণ যুৱক-যুৱতীসকলক এবছৰৰ বাবে মাহে ২, ৫০০ টকাকৈ প্ৰদান কৰা হ'ব। অৰুণোদয় আঁচনিৰ অধীনত প্ৰতিটো সমষ্টিলৈ ৪ কোটি টকা প্ৰদান কৰি অহা হৈছে। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে আজিৰে পৰা প্ৰতি ইউনিটত এটকাকৈ বিদ্যুৎ নিৰিখ ৰেহাই দিয়াৰ লগতে কৃষকৰ পৰা প্ৰতি কুইণ্টল ধান চ, ৫৫০ টকা আৰু প্ৰতি কুইণ্টল সৰিয়হ ৬, ৪৫০ টকাকৈ ৰাজ্য চৰকাৰে ক্ৰয় কৰিব। প্ৰতিটো অঞ্চলৰ উন্নয়ন তথা দুখীয়া-দৰিদ্ৰৰ কল্যাণ সাধনৰ বাবে ৰাজ্য চৰকাৰে লোৱা বিভিন্ন আঁচনিৰ বিষয়েও মুখ্যমন্ত্ৰী ড° শৰ্মাই সভাত আলোকপাত কৰে। এই অনুষ্ঠানত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী অশোক সিংহল, খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী কৌশিক ৰায়, শোণিতপুৰ লোকসভা সমষ্টিৰ সাংসদ ৰঞ্জিত দত্ত, বিধায়ক দিগন্ত ঘাটোৱাল, প্ৰমোদ বৰঠাকুৰ, উৎপল বৰা, কৃষ্ণ কমল তাঁতী, অমিয় কুমাৰ ভূঞা, খাদ্য আৰু অসামৰিক যোগান নিগম লিমিটেডৰ অধ্যক্ষ তথা বিধায়ক সঞ্জয় কিষাণ, উপাধ্যক্ষ দেৱান ধ্ৰুৱজ্যোতি মৰল, প্ৰাক্তন মন্ত্ৰী প্ৰবীণ হাজৰিকা, অসম ৰাজ্যিক পৰি বহণ নিগমৰ অধ্যক্ষ পল্লৱলোচন দাস, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অতিৰিক্ত মুখ্য সচিব জে বি এক্কা আদি উপস্থিত থাকে। আনহাতে, ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰী ড° শৰ্মাই বিশ্বনাথ জিলাৰ পাভৈৰ ৰূপজ্যোতি কলা পৰিষদ খেলপথাৰত আয়োজিত বিনামূলীয়া বিশেষ স্বাস্থ্য শিবিৰত অংশগ্ৰহণ কৰে। এই শিবিৰত আয়োজিত বিনামূলীয়া বিশেষ স্বাস্থ্য শিবিৰ অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে অসম চৰকাৰে সমাজৰ সকলো শ্ৰেণীৰ লোকৰ বাবে সুলভ আৰু মানসম্পন্ন স্বাস্থ্যসেৱা উপলব্ধ কৰাৰ লক্ষ্যৰে আজিৰে পৰা ৰাজ্যৰ সকলো জিলাৰ গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত, ভিচিডিচিত বিনামূলীয়া বিশেষ স্বাস্থ্য শিবিৰৰ আয়োজন কৰিছে। তিনি হেজাৰতকৈও অধিক স্বাস্থ্য শিবিৰ অহা দুমাহৰ ভিতৰত শেষ কৰা হ'ব। স্বাস্থ্যসন্মত আৰু সুস্থ অসম গঢ়াৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে এই পদক্ষেপ লৈছে। মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে সঠিক সময়ত বেমাৰ ধৰিব নোৱাৰা বাবে বিভিন্ন ৰোগৰ দ্বাৰা জনসাধাৰণ আক্ৰান্ত হৈছে। প্ৰত্যেক বেমাৰৰ চিকিৎসা আছে আৰু সঠিক সময়ত ধৰা পৰিলে আৰোগ্য হোৱাৰ সম্ভাৱনা থাকে। এনে ধৰণৰ স্বাস্থ্য শিবিৰৰ জৰিয়তে সজাগতা অনাৰ প্ৰয়াস চলোৱা হৈছে। মুখ্যমন্ত্ৰী ড° শৰ্মাই অৱসৰপ্ৰাপ্ত আশা কৰ্মীসকলক কৃতজ্ঞতাৰ চিন হিচাপে এককালীন বিত্তীয় সাহায্য আগবঢ়োৱাৰ কথাও ভাষণ প্ৰসংগত উল্লেখ কৰে। এই উপলক্ষে ১০ গৰাকী সেৱাৰ পৰা অৱসৰগ্ৰহণ কৰা আশাকৰ্মীক চ লাখ টকাকৈ এককালীন বিত্তীয় সাহায্য প্ৰদান কৰা হয়। আজিৰ এই অনুষ্ঠানত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী অশোক সিংহল, বিধায়ক প্ৰমোদ বৰঠাকুৰ, উৎপল বৰা, কৃষ্ণ কমল তাঁতী, প্ৰাক্তন মন্ত্ৰী প্ৰবীণ হাজৰিকা, অসম ৰাজ্যিক পৰিবহণ নিগমৰ অধ্যক্ষ পল্লৱলোচন দাস, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ আয়ুক্ত সচিব ডাঃ পি অশোক বাবু, ৰাষ্ট্ৰীয় স্বাস্থ্যঞ্জয় অভিযানৰ পৰিচালন সঞ্চালক ড° লক্ষ্মণন এছ আদি উপস্থিত থাকে। আনহাতে, পুৱাৰ ভাগতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বিশ্বনাথ আৱৰ্ত ভৱন চৌহদত এটি গছপুলি ৰোপণ কৰে।

# বিভিন্ন দেশৰ ওপৰত শুল্ক

ট্ৰাম্পে নতুন আমদানি শুল্ক আৰোপ কৰিছে। ৰাষ্ট্ৰপতি ট্ৰাম্পৰ এই শুল্ক নীতিক লৈ তীব্ৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে বিশ্বৰ বিভিন্ন দেশে। ইপিনে আমেৰিকাই ভাৰতৰ ওপৰত ২৬ শতাংশ শুল্ক আৰোপ কৰাৰ সিদ্ধান্তই অদূৰ ভৱিষ্যতে ভাৰত-আমেৰিকাৰ বাণিজ্যত কি প্ৰভাৱ পৰিব সেই সন্দৰ্ভত জল্পনা-কল্পনা আৰম্ভ হৈছে। মাৰ্কিন ৰাষ্ট্ৰপতি ট্ৰাম্পে কয়- বন্ধু ভাৰতৰ ওপৰতো এইবাৰ ২৬ শতাংশ শুল্ক আৰোপ কৰা হৈছে। আমেৰিকাৰ এই নতুন আমদানি শুল্ক নীতিয়ে ভাৰতৰ অৰ্থনীতিত মধ্যমীয়া প্ৰভাৱ পৰিব বুলি বাণিজ্য মন্ত্ৰণালয়ে প্ৰকাশ কৰিছে।

# প্ৰথমবাৰৰ বাবে গুৱাহাটীত

টি-২০ মেচ অনুষ্ঠিত হ'ব। টেষ্ট শৃংখলাত অংশগ্ৰহণ কৰি ভাৰত ভ্ৰমণৰ আৰম্ভণি কৰিব প্ৰটিয়াজ বাহিনীয়ে। টেষ্ট শৃংখলাটোৰ প্ৰথমখন টেষ্ট ১৪-১৮ নৱেম্বৰত নতুন দিল্লীত অনুষ্ঠিত হোৱাৰ বিপৰীতে দ্বিতীয় তথা অন্তিমখন টেষ্ট ২২-২৬ নৱেম্বৰত গুৱাহাটীত অনুষ্ঠিত হ'ব। টেষ্ট শৃংখলাটো সমাপ্তিৰ পিছত দুয়ো দেশৰ মাজত ৩০ নৱেম্বৰৰ পৰা আৰম্ভ হ'ব এদিনীয়া মেচৰ শৃংখলাটো। প্ৰথমখন মেচ ৰাঁচীত অনুষ্ঠিত হোৱাৰ বিপৰীতে দ্বিতীয়খন মেচ ৩ ডিচেম্বৰত ৰায়পুৰত আৰু তৃতীয় তথা অন্তিমখন মেচ ৬ ডিচেম্বৰত বিশাখাপট্টনমত অনুষ্ঠিত হ'ব। আনহাতে, ৯ ডিচেম্বৰৰ পৰা দুয়ো দেশৰ মাজত অনুষ্ঠিত হ'ব টি-২০ মেচৰ শৃংখলাটো। প্ৰথমখন মেচ কটকত অনুষ্ঠিত হোৱাৰ বিপৰীতে দ্বিতীয়খন মেচ ১১ ডিচেম্বৰত নিউ চণ্ডীগড়ত, তৃতীয়খন মেচ ১৪ ডিচেম্বৰত ধৰমশালাত, চতুৰ্থখন মেচ ১৭ ডিচেম্বৰত লক্ষ্নৌত আৰু পঞ্চম তথা অন্তিমখন মেচ ১৯ ডিচেম্বৰত আহমেদাবাদত অনুষ্ঠিত হ'ব।

# থাইলেণ্ডত উপস্থিত

লগতে প্ৰধানমন্ত্ৰী মোদীয়ে থাইলেণ্ডৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হ'ব। প্ৰধানমন্ত্ৰী মোদীয়ে দেশখনৰ প্ৰধানমন্ত্ৰী পাটংটাৰ্ন চিনাৱাট্ৰাৰ সৈতে বৈঠকত মিলিত হৈ দুয়ো দেশৰ সম্পৰ্ক উন্নীত কৰাক লৈ আলোচনা কৰিব। ভাৰত-থাইলেণ্ডৰ দ্বিপাক্ষিক সহযোগিতা সুদৃঢ় কৰাৰ ক্ষেত্ৰত অধিক গুৰুত্ব প্ৰদান কৰিব বুলি প্ৰধানমন্ত্ৰী মোদীয়ে দেশখনত উপস্থিত হৈয়েই সামাজিক মাধ্যমযোগে প্ৰচাৰ কৰিছে। বিমষ্টেক সন্মিলনত ভাৰতৰ লগতে থাইলেণ্ড, ম্যানমাৰ, নেপাল, বাংলাদেশ, ভুটান আৰু শ্ৰীলংকাৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিব। এই সন্মিলনত সাগৰীয় সহযোগিতাক লৈ দেশকেইখনৰ মাজত চুক্তি হোৱাৰ সম্ভাৱনাও আছে।

# কলকাতাৰ হাতত ৮০

নীতিশ কুমাৰ ৰেড্ডীয়ে ১৯ আৰু অধিনায়ক পেট কামিনছে ১৪ ৰান কৰে। দলটোৰ সাতগৰাকী বেটাৰে দহকৰ ঘৰ স্পৰ্শ কৰাত ব্যৰ্থ হয়। কলকাতাৰ হৈ বৈভৱ আৰোৰা আৰু বৰুণ চক্ৰৱৰ্তী উভয়ে সৰ্বাধিক তিনিটাকৈ উইকেট লাভ কৰে। ইয়াৰ পূৰ্বে প্ৰথমে বেটিং কৰিবলৈ আহি প্ৰাৰম্ভিক বিপৰ্যয় সত্ত্বেও অংকুশ ৰঘুবংশী আৰু ভেংকটেশ আয়াৰৰ দুৰ্দান্ত অৰ্ধশতকৰ সহায়ত কলকাতা নাইট ৰাইডাছে নিৰ্ধাৰিত ২০ অভাৰত ৬টা উইকেট হেৰুৱাই ২০০ ৰান সংগ্ৰহ কৰে। ইনিংছ আৰম্ভণি মুঠেই সুখকৰ নাছিল কলকাতাৰ। দলীয় স্ক'ৰ ১৬ ৰানতে অ'পেনাৰদ্বয় কুইন্টন ডি ক'ক (১) আৰু সুনীল নাৰিন(৭)হেৰুৱায়। অৱশ্যে অধিনায়ক আজিংক্য ৰাহানে আৰু ৰঘুবংশীয়ে তৃতীয় উইকেটত ৮১ ৰান সংগ্ৰহ কৰি দলৰ বিপৰ্যয় কিছু ৰোধ কৰে। ৰাহানেই ২৭টা বলত ৩৮ ৰান কৰি বিদায় লয় যদিও ৰঘুবংশীয়ে ৩২টা বলত ৫টা চাৰি আৰু ২টা ছয়েৰে ৫০ ৰানৰ গুৰুত্বপূৰ্ণ অৰিহণা আগবঢ়ায়। ৰাহানেই আউট হোৱাৰ কিছু সময়ৰ পিছতে ৰঘুবংশীয়েও বিদায় লয়। অৱশ্যে ২৯টা বলত ৭টা চাৰি আৰু ৩টা ছয়েৰে ৬০ ৰানৰ দুৰ্দান্ত ইনিংছ খেলা ভেংকটেশে ৰিংকু সিঙৰ সৈতে লগ লাগি পঞ্চম উইকেটত ৯১ ৰান সংগ্ৰহ কৰি কলকাতাক শক্তিশালী স্থিতিত উপনীত কৰায়। ৰিংকু সিঙে ১৭টা বলত ৪টা চাৰি আৰু এটা ছয়েৰে ৩২ ৰান কৰি অপৰাজিত হৈ থাকে। আন্দ্ৰে ৰাছেলে মাত্ৰ ১ ৰান কৰি পেভিলিয়নমুখী হয়। ছানৰাইজাৰ্ছৰ হৈ মহম্মদ ছামি, পেট কামিনছ, জিছান আনছাৰি, হৰ্ষল পেটেল আৰু কামিণ্ডু মেণ্ডিছে এটাকে উইকেট লাভ কৰে।

# বেংগালুৰুক ৮ উইকেটত

কৰি দলৰ বিপৰ্যয় কিছু ৰোধ কৰে। জিতেশে ২১টা বলত ৩৩ ৰান কৰি বিদায় লয়। ইফালে, ৪০টা বলত এটা চাৰি আৰু পাঁচটা ছয়েৰে ৫৪ ৰান কৰি আউট হোৱাৰ পূৰ্বে লিভিংষ্টনে সপ্তম উইকেট টিম ডেভিদৰ সৈতে গুৰুত্বপূৰ্ণ ৪৬ ৰান সংগ্ৰহ কৰে। ডেভিদে ১৮টা বলত ৩২ ৰানৰ অৰিহণা আগবঢ়ায়। ক্ৰুনাল পাণ্ড্যিয়াই মাত্ৰ ৫ ৰান কৰি বিদায় লয়। গুজৰাটৰ হৈ মহম্মদ ছিৰাজে সৰ্বাধিক তিনিটা উইকেট লাভ কৰাৰ বিপৰীতে ছাই কিশোৰে ২টা, অৰছাদ খান,ঈশান্ত শৰ্মা আৰু প্ৰসিদ্ধ কৃষ্ণই ১টাকৈ উইকেট লাভ কৰে।

# মৰিগাঁৱত ভয়ংকৰ পথ

চাইকলখনক মহটিয়াই নিয়ে। দুৰ্ঘটনাত পতিত বাইকখনৰ নম্বৰ আছিল AS01-FL-5689। দুৰ্ঘটনাটো সংঘটিত হোৱাৰ লগে লগে থিতাতে নিহত হয় দুজনকৈ যুৱক। ঘটনাস্থলীতে দুজন বাইক আৰোহী দ্বীপমনি আৰু চাবিদ আলীৰ। আন এজনক সংকটজনক অৱস্থাত মৰিগাঁও অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। কিন্তু চিকিৎসকে উন্নত চিকিৎসাৰ বাবে গুৱাহাটী মেডিকেল কলেজ হাস্পতাললৈ প্ৰেৰণ কৰে চাজিদুল ইছলাম নামৰ যুৱকজনক। অৱশেষত গুৱাহাটী মেডিকেল কলেজ হাস্পতালত চিকিৎসাধীন অৱস্থাতে চাজিদুল ইছলাম নামৰ যুৱকজনৰো মৃত্যু হয়। এই তিনি যুৱকৰ মৃতদেহ ঘৰ আহি পোৱাৰ পিছতেই অঞ্চলবাসীৰ মাজত এক শোকাকুল পৰিবেশ বিৰাজ কৰে। উল্লেখযোগ্য যে আটাইকেইটা মৃতদেহ চিকিৎসালয়ৰ পৰা ঘৰ আহি পোৱাৰ পিছতেই গাঁওবাসীৰ লগতে আত্মীয় স্বজনৰ মাজত কান্দোনৰ ৰোল উঠে। শোকত ভাগি পৰে পৰিয়ালৰ লোক।

# পঞ্চায়তত বিজেপিয়ে ৯০ শতাংশ

বিকাশ লাগে। আমাৰ ভাৰতীয় জনতা পাৰ্টী দলে ৰাজ্যত বিকাশৰ ঢৌ বিয়পাইছে। আমি ১০০ শতাংশ নিশ্চিত। ১০ বিৰোধী দলৰ এজনক সভাপতি হিচাপে নিৰ্বাচিত কৰিলে ক'ৰবাত পৰি থাকিব বুলি মন্তব্য কৰাৰ লগতে বিৰোধী দলসমূহক তীব্ৰ কটাক্ষ কৰি কয়- সাংসদ গৌৰৱ গগৈয়ে কেৱল উদাত্ত কণ্ঠৰে ভাষাণহে দিব পাৰে। কিন্তু তেওঁ সৰু পথ এটাও নিৰ্মাণ কৰি দিব নোৱাৰে। গৌৰৱ গগৈ ইয়ালৈ আহিছে জানো বুলি প্ৰশ্ন কৰে। ইফালে, অখিল গগৈ, লুৰিণজ্যোতি গগৈয়ে জাতীয়তাবাদৰ কথা কয়। কিন্তু পৰিষদীয় নিৰ্বাচনত তেওঁলোক নাথাকেই। কংগ্ৰেছ, অসম জাতীয় পৰিষদ, ৰাইজৰ দলৰ প্ৰতি ভূমিপুত্ৰসকলৰ কোনো সমৰ্থন নাই। তেওঁলোকক বিসৰ্জন দি ব্ৰহ্মপুত্ৰত পেলাই দিছে বুলিও তেওঁ গুৰুত্বপূৰ্ণ মন্তব্য কৰে। ইফালে, সাংগঠনিক সভাত আগন্তুক পঞ্চায়ত নিৰ্বাচনত শিৱসাগৰ আৰু কামৰূপ জিলাৰ দলীয় দায়িত্ব লাভ কৰা তথা ৰাজহ আৰু পৰিবহণ মন্ত্ৰী যোগেন মহন উপস্থিত থাকি কয় যে অহা ১৭ এপ্ৰিলত বিজেপি দলৰ চূড়ান্ত প্ৰাৰ্থীৰ তালিকা প্ৰকাশ পাব। তেওঁ লগতে দলীয় প্ৰাৰ্থিত্ব প্ৰদানৰ ক্ষেত্ৰত সকলো জনজাতি-জনগোষ্ঠীক সমদৃষ্টিৰে চোৱা হৈছে বুলি মন্তব্য কৰাৰ লগতে পঞ্চায়ত নিৰ্বাচনত বিজেপিৰ জয় নিশ্চিত বুলি মন্তব্য কৰে। মন্ত্ৰী যোগেন মহনে কয়-'কংগ্ৰেছ দলটোৰ কথা ক'বলৈ বেয়াই লাগে। ইতিমধ্যে কংগ্ৰেছ দল নিশ্চিহ্ন হোৱাৰ পথত। কংগ্ৰেছ দলত বহু আভ্যন্তৰীণ মতবিৰোধ থকাৰ বাবে দলৰ বহু নেতাই বিজেপিত যোগদান কৰিছে। ইতিমধ্যে বহু জ্যেষ্ঠ নেতাই বিজেপিৰ লগত যোগাযোগ কৰি আছে বুলি উল্লেখ কৰে।' বিজেপিৰ শিৱসাগৰ জিলা সমিতিৰ সভাপতি বিতোপনা ৰাইদঙীয়াৰ সভাপতিত্বিত অনুষ্ঠিত সাংগঠনিক সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে সাধাৰণ সম্পাদক চন্দনজ্যোতি বৰগোহাঁয়ে। বিজেপিৰ সাংগঠনিক সভাত কেন্দ্ৰীয় চৰকাৰৰ ৰাজ্যিক মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা, ৰাজহ আৰু পৰিবহণ মন্ত্ৰী যোগেন মহন, ডিমৌ সমষ্টিৰ বিধায়ক সুশান্ত বৰগোহাঁই উপস্থিত থাকি আগন্তুক পঞ্চায়ত নিৰ্বাচন সন্দৰ্ভত দলীয় কৰ্মকৰ্তাসকলৰ লগত বিস্তৃতভাৱে পৰ্যালোচনা কৰে। ডিমৌ বিধানসভা সমষ্টিৰ বিধায়ক সুশান্ত বৰগোহাঁয়ে আদৰণি ভাষণ প্ৰদান কৰি ডিমৌ বিধানসভা সমষ্টিৰ ভাৰতীয় জনতা পাৰ্টীৰ কৰ্মকৰ্তা, বুথৰ সভাপতি, অ'বিচি মৰ্চা, চাহ মৰ্চা, এছচি মৰ্চা, এছটি মৰ্চাৰ সভাপতি-সম্পাদকসকলক আগন্তুক পঞ্চায়ত নিৰ্বাচনৰ প্ৰস্তুতি সন্দৰ্ভত আৰু ৰণকৌশলৰ সন্দৰ্ভত বিতংভাৱে পৰ্যালোচনা কৰে। বিজেপিৰ সাংগঠনিক সভাত শিৱসাগৰ জিলাৰ প্ৰভাৰী অজয় ৰাজকোঁৱৰ, যোগানন্দ কোঁৱৰ, সহঃ প্ৰভাৰী সুভাষ দত্ত, চাহ জনজাতি কল্যাণ পৰিষদৰ সভাপতি শিৱ প্ৰসাদ বড়্ৰাকে, জিলা প্ৰাক্তন সাধাৰণ সম্পাদক প্ৰণৱ চেতিয়া, নিতাই পানীদিহিং মণ্ডলৰ সভাপতি মৃণাল ফুকন, ডিমৌ মণ্ডলৰ সভাপতি কৃষ্ণ কৈৰীকে ধৰি ভালেসংখ্যক বিজেপিৰ কাৰ্যকৰ্তা উপস্থিত থাকে।

# কলাক্ষেত্ৰত ৰাজ্যৰ সৰ্বোচ্চ

হিচাপে কাৰ্যনিৰ্বাহ কৰি থকাৰ লগতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান আৰু আইন বিভাগৰ অতিথি অধ্যাপক। আনহাতে ৰাজ্য চৰকাৰৰ দ্বিতীয় সৰ্বোচ্চ অসম সৌৰভ সন্মান প্ৰযুক্তি বিশেষজ্ঞ তথা প্ৰতিষ্ঠান নিৰ্মাতা তামিলনাডুৰ সুব্ৰমণিয়ান ৰামাদোৰাই, প্ৰখ্যাত শিক্ষাবিদ-পৰিৱেশ বিজ্ঞ ানী হোজাইৰ ড° বাপ্পী পাল, বিজ্ঞানী-প্ৰযুক্তিবিদ লখিমপুৰৰ ড° পূৰৱী শইকীয়া, ৰাজ্যখনৰ প্ৰবীণ জনপ্ৰিয় সংগীত শিল্পী কামৰূপ (মহানগৰ) জিলাৰ দ্বীপেন বৰুৱা, বিশিষ্ট নাট্যকাৰ-চলচ্চিত্ৰ পৰিচালক, গীতিকাৰ দৰঙৰ হেমন্ত দত্ত আৰু ভাৰতীয় জাতীয় ক্ৰিকেট দলত স্থান লাভ কৰা অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমগৰাকী মহিলা ক্ৰিকেট খেলুৱৈ গোলাঘাটৰ উমা ছেত্ৰীক আগবঢ়োৱা হৈছে। তদুপৰি ৰাজ্য চৰকাৰৰ তৃতীয় সৰ্বোচ্চ অসামৰিক সন্মান অসম গৌৰৱ প্ৰদান কৰা হয় শগুন সংৰক্ষণৰ ক্ষেত্ৰত অনবদ্য বৰঙণি আগবঢ়োৱা লখিমপুৰৰ ফুলেশ্বৰী দত্ত, মাত্ৰ ৩১৭ দিনত ৬৪খন দেশ মটৰ বাইকিঙেৰে ভ্ৰমণ কৰি উল্লেখনীয় কৃতকাৰ্যতা লাভ কৰা মীনাক্ষি দাস, ইণ্ডিয়ান ছুপাৰ লীগত তথা বৰ্তমান ডুৰাণ্ড কাপ চেম্পিয়ন নৰ্থ-ইষ্ট ইউনাইটেড এফ চি দলত ফৰৱাৰ্ড হিচাপে খেলা খেলুৱৈ শিৱসাগৰৰ পাৰ্থিৱ সুন্দৰ গগৈ, বিশিষ্ট টেৰাকটা শিল্পী (হস্তশিল্প) ধুবুৰীৰ ধীৰেন্দ্ৰ নাথ পাল, বিশিষ্ট কাঁহশিল্পী বৰপেটাৰ হৰিদাস দাস, কাৰ্বি আংলং জিলাৰ মাঞ্জা অঞ্চলৰ ছাত্ৰ-ছাত্ৰীক বিনামূলীয়াকৈ শিক্ষা প্ৰদান কৰি অহা সমাজসেৱী বিনং টেৰণ, বিশিষ্ট মীনপালক শ্ৰীভূমিৰ নজৰুল হক, কৃষি আৰু সহযোগী খণ্ডত বিশিষ্ট বৰঙণি আগবঢ়োৱা যোৰহাটৰ বিশ্বজিৎ বৰা, অসমত শ্বেত বিপ্লৱৰ সূচনা কৰাৰ দিশত বিশেষ বৰঙণি আগবঢ়োৱা বজালীৰ দুগ্ধ উৎপাদক ভাৰত চন্দ্ৰ কলিতা, বড়ো লোকসংগীত শিল্পী কোকৰাঝাৰৰ বাৰলাংফা নাৰ্জাৰী, চাহ জনজাতি সম্প্ৰদায়ৰ প্ৰতিভাৱান সংগীতজ্ঞ ডিব্ৰুগড়ৰ ৰামচন্দ্ৰ চাচনী, ষ্টাৰ্টআপ-অতি ক্ষুদ্ৰ-ক্ষুদ্ৰ আৰু মজলীয়া প্ৰতিষ্ঠান স্থাপনেৰে উজলি উঠা শিৱসাগৰৰ উপমন্যু বৰকাকতি আৰু বহন ক্ষমতাৰ জৰিয়তে নিৰ্মাণ উদ্যোগ খণ্ডত বৈপ্লৱিক পৰিৱৰ্তনৰ লক্ষ্যৰে আগবঢ়া ষ্টাৰ্টআপ-অতি ক্ষুদ্ৰ-ক্ষুদ্ৰ আৰু মজলীয়া প্ৰতিষ্ঠান স্থাপন কৰা শিৱসাগৰৰ ডেভিদ প্ৰতিম গগৈক। আনহাতে, ৰাজ্য চৰকাৰে এইবাৰ প্ৰথমবাৰৰ বাবে খাদ্য উদ্যোগ, পৰিৱেশ পৰ্যটন আৰু বন্যপ্ৰাণী সংৰক্ষণৰ ক্ষেত্ৰত বিশিষ্ট বৰঙণি আগবঢ়োৱা তিনিটা প্ৰতিষ্ঠানকো অসম গৌৰৱ সন্মানেৰে সন্মানিত কৰিছে। কাজিৰঙাৰ সমীপৰ নান্দনিক সৌন্দৰ্যৰে ভৰা নতুনদাংগা নামৰ গাঁওখনৰ বিনন্দীয়া পৰিৱেশত অৱস্থিত 'চৌৱান আহেম'-এ কাৰ্বি থলুৱা খাদ্য আগবঢ়াই আহিছে। নতুনদাংগা ইক' ডেভেলপমেন্ট কমিটী আৰু ইংনাম আত্মসহায়ক গোটৰ দ্বাৰা পৰিচালিত এই কেন্দ্ৰটোৱে দেশ-বিদেশৰ পৰ্যটকসকলকো আকৰ্যিত কৰিবলৈ সক্ষম হৈছে। চৌৱান আহেমৰ নেতৃত্ব বহন কৰি অহা মংগলছিং টেৰণে প্ৰতিষ্ঠানটোৰ হৈ ৰাজ্যপাল আচাৰ্যৰ পৰা অসম গৌৰৱ সন্মান গ্ৰহণ কৰে। সেইদৰে তিনিচুকীয়া জিলাৰ বাৰেকুৰি গাঁৱে প্ৰকৃতি আৰু মানুহৰ মাজত নিবিড় সম্পৰ্ক স্থাপন কৰি হলৌ বান্দৰৰ সামূহিক উদ্যান হিচাপে পৰিচিতি লাভ কৰিছে। বাৰেকুৰি গাঁৱৰ হৈ বিপ্লৱ চুতীয়াই ৰাজ্যপাল আচাৰ্যৰ পৰা অসম গৌৰৱ সন্মান গ্ৰহণ কৰে। নগাঁৱৰ হাতীবন্ধু নামৰ স্বেচ্ছাসেৱী সংস্থাটোৱে মানুহৰ বসতিস্থলত হাতীৰ বিচৰণ আৰু শস্য বিনষ্টকৰণ প্ৰতিৰোধ কৰি হাতী-মানুহৰ সংঘাত লাঘৱ কৰাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। নেপিয়াৰ ঘাঁহ আৰু হাতীৰ প্ৰিয় বনৰীয়া ফলমূলৰ বৃক্ষ ৰোপণেৰে হাতীৰ সৰগী বসতিস্থল সৃষ্টি কৰাটো সংস্থাটোৰ এক প্ৰধান পদক্ষেপ। ২০১৮ বৰ্ষত আৰম্ভ কৰা এই পদক্ষেপৰ জৰিয়তে হাতীৰ কৰিড'ৰ হিচাপে ব্যৱহৃত ২৬৫ একৰ অনা-কৃষিভূমিত হাতীৰ বাবে প্ৰাকৃতিক খাদ্যৰ উৎস সৃষ্টি কৰা হৈছে আৰু এই ব্যৱস্থাই হাতী-মানুহৰ সংঘাত নিৰাময়ত প্ৰভূত বৰঙণি আগবঢ়াইছে। হাতীবন্ধুৰ প্ৰতিষ্ঠাপক প্ৰদীপ কুমাৰ ভূঞাই ৰাজ্যপাল আচাৰ্যৰ পৰা অসম গৌৰৱ সন্মান গ্ৰহণ কৰে। অৱশ্যে অসম সৌৰভ সন্মানেৰে সন্মানিত উমা ছেত্ৰী পেছাদাৰী ব্যস্ততাৰ বাবে অনুষ্ঠানত উপস্থিত থাকি বঁটা গ্ৰহণ কৰিব নোৱাৰিলে। পৰৱৰ্তী সময়ত জিলা আযুক্তই খেলুৱৈগৰাকীৰ বাসগৃহলৈ গৈ এই বঁটা প্ৰদান কৰিব। এই অনুষ্ঠানটোৰ আঁত ধৰে ৰাজ্যৰ মুখ্য সচিব ড° ৰবি কোটাই।

# আট্টাৰি সীমান্তৰে গোপনে

দেশৰ নাগৰিকত্ব দিয়াৰ বাবেই সাংসদ গৌৰৱ গগৈয়ে এই পদক্ষেপ লৈছিল। মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে সাংসদ গৌৰৱ গগৈৰ পাকিস্তান ভ্ৰমণ তথা দেশখনৰে সম্পৰ্ক সন্দৰ্ভত এয়া দুই-এটা ইংগিতহে দিয়া হৈছে। অনাগত দিনত ইয়াৰ অধিক তথ্য পোহৰলৈ আহিব। গৌৰৱ গগৈৰ এনে কাৰ্যকলাপৰ বাবে কংগ্ৰেছ দল যথেষ্ট সমস্যাত পৰিব বুলিও মুখ্যমন্ত্ৰী ড° শৰ্মাই তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে।

# প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক

বিভূষিত কৰে। এই সৰ্বোচ্চ সন্মান গ্ৰহণ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে দেশৰ ১৪০ কোটি জনতাক সন্মানটো উৎসৰ্গিত কৰাৰ লগতে ৰাষ্ট্ৰপতি দিছানায়কক ধন্যবাদ জ্ঞাপন কৰে। শ্ৰীলংকা আৰু ভাৰতৰ জনতাৰ মাজত ঐতিহাসিক সম্পৰ্ক আৰু গভীৰ বন্ধুত্বক ইয়ে প্ৰতিফলিত কৰে বুলিও প্ৰধানমন্ত্ৰী মোদীয়ে কয়। ৰাষ্ট্ৰপতিগৰাকীৰ সৈতে দ্বিপাক্ষিক বৈঠকত ভাৰত আৰু শ্ৰীলংকাৰ মাজত ঐতিহাসিক প্ৰতিৰক্ষা সহযোগিতা চুক্তি স্বাক্ষৰিত হয়। প্ৰধানমন্ত্ৰী মোদীৰ কলম্বো ভ্ৰমণৰ সময়ত এই চুক্তি হৈছে দুয়োখন দেশৰ মাজত হোৱা প্ৰথম আনুষ্ঠানিক সামৰিক চুক্তি। দুয়োখন দেশৰ মাজত হোৱা চুক্তি অনুসৰি ত্ৰিন কোমালি বিকাশৰ ক্ষেত্ৰতো গুৰুত্ব দিয়া হয়। ভাৰতৰ বহুমুখী সহযোগিতা হিচাপে শ্ৰীলংকাৰ পূৱ প্ৰান্তৰ প্ৰদেশত এটা পৃথক বিদ্যুৎ হাৱ গঢ়ি তোলাৰো চুক্তি সম্পন্ন হয়। মন কৰিবলগীয়া যে প্ৰধানমন্ত্ৰী মোদী আৰু ৰাষ্ট্ৰপতি দিছানায়কে ভিডিঅ'যোগে সামপুৰ সৌৰশক্তি প্ৰকল্পও আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। বেংকক ভ্ৰমণ সামৰি শ্ৰীলংকাত উপস্থিত হোৱা প্ৰধানমন্ত্ৰী মোদীক ইণ্ডিপেণ্ডেন্ট স্কোৱাৰত ৰাজকীয় আদৰণি জনায়। ৰাষ্ট্ৰপতি দিছানায়ক আৰু প্ৰধানমন্ত্ৰী মোদীৰ দ্বিপাক্ষিক বৈঠকৰ সময়ত প্ৰধানমন্ত্ৰী মোদীয়ে তামিলৰ বিষয়টো উত্থাপন কৰে। শ্ৰীলংকাত থকা তামিলসকলৰ ক্ষেত্ৰত দেশখনে তামিলসকলৰ আকাংক্ষা পূৰ্ণ কৰিব বুলিও বৈঠকত ৰাষ্ট্ৰপতিগৰাকীয়ে আশ্বাস দিয়ে। ইপিনে, বৈঠকৰ অন্তত যুটীয়া সংবাদ বিবৃতিত ৰাষ্ট্ৰপতি দিছানায়কে কয় যে কোনো কাৰণতে তেওঁলোকৰ ভূমিৰ পৰা ভাৰতবিৰোধী কাৰ্যক অনুমতি দিয়া নহয়। লক্ষণীয় যে শ্ৰীলংকাত চীনে বিভিন্ন প্ৰকাৰে সহযোগিতা আগবঢ়াই আহিছে আৰু ইয়ে ভাৰতৰ বাবে উদ্বিগ্নতাৰ বিষয় হৈ আছে। এনে কাৰণতে প্ৰধানমন্ত্ৰী মোদীয়ে শ্ৰীলংকা ভ্ৰমণ কৰাটো তাৎপৰ্যপূৰ্ণ বিবেচিত হৈছে।

# ৱাকফ সংশোধনী

দ্ৰৌপদী মুৰ্মুৱে। শনিবাৰে জাৰি কৰা আইন মন্ত্ৰালয়ৰ অধিসূচনাত উল্লেখ কৰা হৈছে যে ৰাষ্ট্ৰপতিয়ে দুয়োখন বিধেয়কত সন্মতি দিছে। ইতিমধ্যে সংসদৰ দুয়োখন সদনত গৃহীত হৈছে বিধেয়ক দুখন। ১৩ ঘণ্টীয়া আলোচনাৰ অন্তত ৩ এপ্ৰিলৰ ৰাতি ২ বজাত লোকসভাত ৱাকফ সংশোধনী বিধেয়ক গৃহীত হয়। এই বিধেয়কখন সপক্ষে ২৮৮ টা আৰু বিপক্ষে ২৩২টা ভোট লাভ কৰি গৃহীত হয়। পিছদিনা ৰাজ্যসভাত উত্থাপন কৰা হয় বিধেয়কখন। ৪ এপ্ৰিলৰ মাজনিশা ৰাজ্যসভাতো ৱাকফ বিধেয়কখন ১২৮ ভোটৰ বিপৰীতে ৯৫ ভোটত গৃহীত হয়। তাৰ পিছত বিধেয়কখন আইনলৈ ৰূপান্তৰিত কৰিবলৈ মাত্ৰ ৰাষ্ট্ৰপতিৰ স্বাক্ষৰৰ প্ৰয়োজন আছিল। শনিবাৰে নিশা ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে ৱাকফ সংশোধনী বিধেয়কত স্বাক্ষৰ কৰে।

# শুল্ক নীতি ঘোষণা কৰা

মূল্যবৃদ্ধি কৰাটো নিশ্চিত। ৯ এপ্ৰিলৰ পৰা মাৰ্কিন যুক্তৰাষ্ট্ৰত সামগ্ৰীসমূহত শুল্ক নীতি বলৱৎ হোৱাৰ ফলত সামগ্ৰীৰ মূল্যবৃদ্ধি হ'ব। এনে পৰিপ্ৰেক্ষিতত‌তে বজাৰমুখী হৈছে মাৰ্কিন নাগৰিক। দোকানে দোকানে ঘূৰি ফুৰি নিজৰ প্ৰয়োজনীয় সামগ্ৰী লগাতকৈ অধিক ক্ৰয় কৰিছে। মন কৰিবলগীয়া যে বিগত বৰ্ষৰ নৱেম্বৰত দ্বিতীয়বাৰৰ বাবে ৰাষ্ট্ৰপতি নিৰ্বাচনত জয়ী হোৱা ড'নাল্ড ট্ৰাম্পে জানুৱাৰী মাহত শপতগ্ৰহণ কৰিয়েই নতুন শুল্ক নীতি ঘোষণাৰ সিদ্ধান্ত লয়। সেইমৰ্মেই যোৱা ২ এপ্ৰিলৰ পৰা বিশ্বৰ প্ৰতিখন দেশতে আমদানি শুল্ক আৰোপ কৰা হৈছে। এই শুল্কই আন দেশৰ লগতে নিজৰ দেশতো প্ৰভাৱ পেলাইছে।

ENGLISH NEWS SECTION

# Governor confers the highest state civilian awards 2024



Guwahati, RB News- Assam Governor Shri Lakshman Prasad Acharya presented the Highest State Civilian Awards 2024 at a ceremony held at Srimanta Sankardev International Auditorium in the city. The event was attended by Chief Minister Dr. Himanta Biswa Sarma. The Assam Baibhav Award, the state's highest civilian honour, was presented to Lt Gen Rana Pratap Kalita (Retd). Assam Saurabh was presented to Shri. Subramanian Ramadorai [Academician], Dr. Bappi Paul [Science & Tech (Environmental Science)], Dr. Purabi Saikia [Science & Tech (Environmental Science] Shri. Dwipen Baruah [Art & Culture (Singer)], Shri Hemanta Dutta [Art & Culture(Dramatist)] and Smti. Uma Chetry [Sports (Cricket)].Assam Gaurav was presented to Smti. Phuleswari Dutta [Wildlife Conservation], Smti. Meenakshi Das [Sports (Motorbiking)], Shri Parthib Sundar Gogoi [Sports (Football)], Shri. Dhirendra Nath Paul [Handicrafts (Terracotta Artisan)], Shri Haridas Das [Handicraft (Brass Metal Artisan)], Shri. Binong Teron [Social Work (Coaching for students)], Shri Nazrul Haque [Aquaculture (Fish Farming)], Shri. Biswajit Borah [Agriculture & Allied], Shri Bharat Ch. Kalita [DairyE. Milk Production], Shri. Barlangfa Narzary [Art & Culture (Folk Music)], Shri Ram Sashoni [Art &Culture(Singer & Artist)], Shri Upamanyu Borkakoty [Startup/MSME], Shri David Pratim Gogoi [Startup/MSME], Choran Ahem (Represented by Shri. Mangal SinghTeron) [Eco-Tourism], Barekuri Village (Represented by Shri. Dipllob Chutia) [Wild life conservation], Hati Bondhu NGO (Represented by Shri. Pradip Kumar Bhuyan) [Wild life conservation]. The award ceremony was attended by cabinet ministers and govt. officials along with a host of other dignitaries.

# Governor interacts with ACS probationers of 2025 batch




Guwahati,RB News- Aasam Governor Shri Lakshman Prasad Acharya interacted with 43 ACS probationers of 2025 batch at Raj Bhavan. Shri Acharya congratulated the probationers and said that the civil servants are the backbone of the country who provide continuity to the governance and guide the society towards progress and prosperity. The Governor said, "You have chosen a path of immense responsibility, where the decisions you make, the actions you take, and the leadership you demonstrate will directly impact the lives of millions of people." The Governor also told the probationers that as civil servants they are expected to shape the lives of the people by serving them. He also asked them to be disciplined and at the same time they need to show empathy and a deep sense of service to the nation. Shri Acharya asked them to remain committed, compassionate and always uphold the highest standards of professionalism.

# Hardik Pandya becomes first captain to take 5 wicket haul in IPL history



RB News- Mumbai Indians captain Hardik Pandya on Friday recorded his best-ever bowling figures in T20 cricket. The 31-year-old all-rounder, who had never taken more than three wickets in an IPL match, took five wickets against Lucknow Super Giants (LSG) in their IPL 2025 match in Lucknow. Hardik registered figures of 4-0-36-5.

# Assam Governor confers degrees on first convocation of Madhabdev University

Guwahati, RB News- Assam Governor Shri Lakshman Acharya said that Madhabdev University established on the sacred land of Narayanpur and inspired by the cultural heritage of Assam is not just limited to the dissemination of knowledge but dedicated to fostering morality, a sense of service, and social responsibility among students. Addressing the graduates on the first convocation of Madhabdev University at Narayanpur today, Shri Acharya said that the purpose of education is not to secure employment but develop a person's character, ethics and sense of responsibility towards society. Keeping this in mind, Madhabdev University has incorporated the Indian knowledge tradition as an integral part of its curriculum. Congratulating the graduates on receiving the degrees, the Governor offered his profound respect and obeisance to Madhabdev and his revered Guru Srimanta Sankardev on the occasion. Shri Acharya also hailed the policy of the university in incorporating Yoga, NSS, NCC, Rover, and Ranger as value-based compulsory courses, as he said that the initiative will not only enrich the students academically but also strengthens them physically, mentally, and spiritually.

# Tilak Varma becomes first MI batter to be retired out in IPL history



RB News- Tilak Varma on Friday became the first-ever MI batter to be retired out in the history of IPL. The 22-year-old was retired out for 25(23) in the 19th over of MI's innings when they needed 24 runs off seven balls. He hit two boundaries during his knock. MI went on to lose the match by 12 runs.

# যুৱ উচ্ছৃংখলতাঃসমাজৰ মাৰাত্মক ব্যাধি-স্বৰূপ



নাছিৰ আহমেদ, শিমলাবাৰী, গোৱালপাৰা

মানৱ-জীৱনৰ গৰিষ্ঠ সংখ্যক ব্যক্তিয়েই হ'ল যুৱ-সমাজ; কেৱল সেয়াই নহয়, তেওঁলোক অসীম শক্তিৰ অধিকাৰীয়ো। যুৱ-চামেই হৈছে সমাজৰ মূল নিৰ্ণায়ক শক্তি বা ধৰণী-স্বৰূপ। এখন সমাজৰ প্ৰগতি সম্পূৰ্ণ ৰূপে নিৰ্ভৰ কৰে যুৱক-যুৱতীসকলৰ সামৰ্থ্য আৰু সিহঁতৰ ব্যক্তিত্বৰ ওপৰত।

আমি যদি প্ৰাক-বুৰঞ্জী যুগৰ পৰা (Pre-historical age) পুৰণি আৰু বৰ্তমান আধুনিক যুগৰ বুৰঞ্জী ফঁহিয়াই চাওঁ, দেখিম যে, এই যুৱ-চামেই অৰ্ধ-সভ্য যুগত পাহাৰে -পৰ্বতে অনাই বনাই ঘূৰি ফুৰি ফলমূল সংগ্ৰহ আৰু পশু-পক্ষী চিকাৰ কৰাৰ পৰা সামন্ত আৰু ৰাজতন্ত্ৰ যুগত সামন্ত প্ৰভু আৰু ৰাজ-পৰিয়াদৰ সুখ-স্বাচ্ছন্দৰ বাবে ধন সংগ্ৰহ, শ্ৰম প্ৰয়োগ, দেশৰ সুৰক্ষা আদি কৰ্মত মনোনিবেশ, গণতন্ত্ৰ আৰু সমাজতন্ত্ৰ যুগত যুৱ-চামেই 'দুৰ্গম গিৰি, কান্তাৰ মৰু, দুস্তৰ পাৰাপাৰ' লংঘন কৰি হ'লেও মানৱ সভ্যতাক পৰিপূৰ্ণতা দান কৰিছিল।

সেউজ বিপ্লৱ, ব্যৱসায় -বাণিজ্য প্ৰসাৰ, কল-কাৰখানাত উৎপাদন বৃদ্ধি, বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ অভুতপূৰ্ব সাফল্য, ভূ-গৰ্ভ, সাগৰৰ অতল তলি, পৰ্বতৰ অতুচ্ছ শৃঙ্গ আৰু আকাশৰ বুকুত দুঃসাহসিক অভিযান আদিত অভুতপূৰ্ব সাফল্যৰ গুৰিতেই হ'ল যুৱ-সমাজৰ অংশ গ্ৰহণ।

বিশ্বৰ বৃহৎ বৃহৎ আন্দোলনতো যুৱ-চামৰ মহান ত্যাগ আৰু আদৰ্শৰ উদাহৰণ বিশ্ব ইতিহাসত জিলিকি আছে। যেনে - ফৰাচী বিপ্লৱ, ৰাছিয়াৰ কমিউনিষ্ট আন্দোলন, আমেৰিকাৰ স্বাধীনতা আন্দোলন, ৰঙা চীন আন্দোলন, ভিয়েটনামৰ যুদ্ধ, ভাৰতৰ স্বাধীনতা সংগ্ৰাম, বাংলাদেশৰ মুক্তি যুদ্ধ, দাস প্ৰথা ৰোধ আন্দোলন, শিল্প বিপ্লৱ, কৃষক-শ্ৰমিক আন্দোলন, নাৰী মুক্তি আন্দোলন, ভাৰতৰ সামন্ত তান্ত্ৰিক ধ্যান ধাৰণাত গঢ়ি উঠা বাল্যবিবাহ, সতীদাহ প্ৰথা, নৰবলি প্ৰথা, কু-সংস্কাৰ, অন্ধবিশ্বাস আৰু ধৰ্মীয় গোড়ামীৰ বিৰুদ্ধেও এই যুৱ-চামেই সোচ্চাৰ হৈ প্ৰতিবাদী আন্দোলন গঢ়ি তুলিছিল।

তদুপৰি, বিশ্বৰ বিভিন্ন প্ৰান্তত যুগে যুগে সংঘটিত হোৱা ধৰ্ম-যুদ্ধ, গৃহ-যুদ্ধ, সীমান্ত সুৰক্ষা যুদ্ধতো অগ্ৰগামী ভূমিকা পালন কৰাৰ উপৰিও বিশ্বৰ বিভিন্ন প্ৰান্তৰ ভাষা, কলা, কৃষ্টি, সংস্কৃতি, সংগীত আৰু সাহিত্য, জ্ঞান-বিজ্ঞান, ধৰ্ম, ইতিহাস, দৰ্শন, ক্ৰীড়া আদি সংগ্ৰহ, সংৰক্ষণ, বিকাশ আৰু সমৃদ্ধিশালী কৰি বিশ্বৰ বুকুত বিভিন্ন জাতি-জনগোষ্ঠীৰ সৃষ্টিত অৱিহণা যোগাই আঞ্চলিকতা-বাদ, জাতীয়তাবাদ, আন্তৰ্জাতিকতাবাদ আৰু মানৱতাবাদক সজীৱ কৰি ৰাখিছিল এই যুৱ-চামেই।

মানৱ-সমাজৰ এই গুৰুত্বপূৰ্ণ অংশ যুৱ-চামৰ বিশ্ব সভ্যতা বা মহান সমাজ গঠনত ইমান অৱদান থকা সত্বেও সাম্প্ৰতিক যুগত এই যুৱ-চামেই সমাজৰ মহৎ বুদ্ধিজীৱী তথা চিন্তাশীল ব্যক্তিসকলৰ দ্বাৰা গৰিহণা, কৰ্কথনা, ধিক্কাৰৰ সন্মুখীন হৈছে তেওঁলোকৰ উচ্ছৃংখল আচৰণৰ বাবে।

বিশ্বৰ বিভিন্ন প্ৰান্তত যুৱ-চামৰ বেছিভাগেই নৈতিক অধঃপতনৰ চৰম সীমালৈ অধঃপতিত হৈ অপৰাধ জগতৰ বিভিন্ন কু-কৰ্মত লিপ্ত হৈ চৌৰ্য কৰ্ম, ডকাইতি, লুণ্ঠন, অপহৰণ, বলপূৰ্বক ভাৱে ধন সংগ্ৰহ বা চান্দা আদায়, সন্ত্ৰাস, ধৰ্ষণ, লুণ্ঠন, বোমা বিস্ফোৰণৰ দ্বাৰা ধন-জন-বল হানি, ক'লা বজাৰ সৃষ্টি, জাল নোট প্ৰচলন, নকল সোণৰ ব্যৱসায়, মদ, ভাং আৰু ড্ৰাগছ সেৱন আৰু পাচাৰ, জুৱা -তীৰ -এণ্ডিং আদিত উন্মত্ত, ম'বাইলৰ অপ-প্ৰয়োগ, ছিয়েল মিডিয়াত নানা অশ্লীল কাৰ্য-কলাপ, ব্লু ফ্লিম প্ৰচাৰ, হেক কৰি ধন লুণ্ঠন, চাইবাৰ ক্ৰাইম আদি বিভিন্ন বীভৎস কৰ্মত জড়িত হৈ পৰিছে। তাৰ উপৰিও পিতৃ-মাতৃ, অভিভাৱক -গুৰুজন আৰু জ্যেষ্ঠ জনক অশ্ৰদ্ধা আৰু ভীতি-প্ৰদৰ্শন আদি অসৎ আচৰণৰ দ্বাৰা যুৱ-চাম সাম্প্ৰতিক যুগৰ একো একোজন হিংস্ৰ দানৱ-দৈত্যত পৰিণত হৈছে। সমাজৰ সকলো নিয়ম-নীতি, ধৰ্মীয় আচাৰ-অনুষ্ঠান, দেশৰ সংবিধানক বৃদ্ধাংগুষ্ঠ দেখুৱাই এই অসৎ যুৱ-চামেই সমাজক এখন নৰককুণ্ডলৈ পৰিণত কৰিছে।

এসময়ত বিশ্ব ইতিহাসত মহৎ অৱদানেৰে জিলিকি থকা এই যুৱ-চামৰ গৰিষ্ঠ সংখ্যকেই সাম্প্ৰতিক কালত উচ্ছৃংখল হোৱাৰ মূল কাৰণসমূহ ঠিৰাং কৰি বিশুদ্ধ ঔষধ প্ৰয়োগ কৰিব পাৰিলেহে এই সমস্যাৰ আশু সমাধান সম্ভৱ।

এতিয়া আমি সংক্ষেপে যুৱ-উচ্ছৃংলতাৰ মূল কাৰণসমূহ ফঁহিয়াই চাবলৈ প্ৰয়াস কৰিম।

১) ধন তান্ত্ৰিক শাসন ব্যৱস্থাৰ কুফল- ধন তান্ত্ৰিক শাসন ব্যৱস্থাৰ মূল ভেঁটি হ'ল প্ৰতিযোগিতামূলক বজাৰ সৃষ্টিৰ মাজেৰে ব্যক্তিৰ মুনাফা লাভৰ পথ সুগম কৰা। এই শাসন-ব্যৱস্থাক কটকটীয়া কৰিছে বিশ্বৰ মুক্ত বাণিজ্য (Liberalism in World Trade & Commerce) আৰু বিশ্বায়ন অৰ্থনীতিয়ে (Globalism)। যাৰ ফলশ্ৰুতিত দেশৰ মুষ্টিমেয় পুঁজিপতি কৰ্প'ৰেট গোষ্ঠীৰ হাতত কোটি কোটি ডলাৰ সঞ্চয় হৈছে। পুঁজিপতি কৰ্প'ৰেট গোষ্ঠীয়ে এই কোটি কোটি ডলাৰ সঞ্চিত ধনেৰে গঢ়ি তুলিছে আকাশ-লংঘী প্ৰাসাদোপম অট্টালিকা, ক্ৰয় কৰিছে অত্যাধুনিক যান-বাহন, আ-অলংকাৰ, আচবাব পত্ৰ আদি।

তাৰ সুদূৰ প্ৰসাৰী প্ৰভাৱ সমাজৰ দুখীয়া শ্ৰেণী বা নিম্ন মধ্য বিত্ত (Lower Middle Class) যুৱ-চামৰ ওপৰত পৰাটো খাটাং।

২) অসুস্থ প্ৰতিযোগিতা- সমাজৰ সকলো স্তৰতে এক অসুস্থ প্ৰতিযোগিতা বা এন্দুৰ দৌৰ আৰম্ভ হোৱাৰ ফলত যুৱ-শ্ৰেণী ক্ৰমান্বয়ে উচ্ছৃংখল হৈ পৰিছে।

কোনো শিক্ষানুষ্ঠান, ধৰ্মীয় অনুষ্ঠান, কলা, কৃষ্টি সংস্কৃতি আৰু সাহিত্য সভা বা ৰাজনীতিৰ পথাৰখনতো এক অসুস্থ প্ৰতিযোগিতা ক্ৰমাৎ বাঢ়ি গৈ আছে।

ক্ৰীড়া জগত বা বোলছবিৰ জগতত খেলুৱৈ, খেল পৰিচালক, অভিনেতা, অভিনেত্ৰীৰ লগতে বোলছবিৰ প্ৰযোজক, পৰিচালকৰ নিকৃষ্টতম আচৰণে যুৱ-চামক বাৰুকৈয়ে প্ৰভাৱান্বিত কৰিছে। যাৰ ফলত ধনী বা দুখীয়া সৰ্বস্তৰৰ যুৱ-চামেই ক্ৰমে 'বাহুবল বা ধনবল' কে জীৱনৰ মূল মন্ত্ৰ হিচাপে গ্ৰহণ কৰি জঘন্যতম পাপ কাৰ্যত লিপ্ত হৈ পৰিছে।

আগলৈ...

## ধৰালৈ বসন্তৰ আগমণ



ছেলিমা বেগম, নগাওঁ

ঋতু আহে আৰু ঋতু গৈ থাকে,
শীত ঋতু গৈ গৈ বসন্তৰ
আগমনীত বাৰ্তা আনি দিলে
সকলো ঋতুৰ পূজাৰী
তুমি আমি জানো ।
বসন্ত ঋতুক আদৰিবলৈ
ৰৈ আছে কুলি, কেতেকী
জগত জিলিকি আহিলে
ঋতু ৰাজ বসন্ত
আশাৰে বাট চাই আছে
গছ লতা নতুন যৌৱন পাবলৈ ।
ন ন কুঁহি পাতেৰে নতুন
পিন্ধিলে বৃক্ষ, বিলাকে
সেউজীয়া পিন্ধি ধৰা লৈ আহিছে।
আমে মলিয়ালিই, কঁঠালে মুচি দিলে,
ধৰণী খন জাক -জমক কৰি তুলিছে ।
বসন্তৰ ৰাজ কুমাৰ আহিলে ধৰণী লৈ
দেৱদাৰুৱে নতুন পিন্ধিলে বসন্তক পাই
নাহৰ, কপৌ, এজাৰ ৰৈ আছে
কুলি গীত গাবলৈ ধৰিলে কু---উ, কু ---উ বুলি।
বসন্তক পাই কেতেকী ভাই ইনাই-বিনাই
গীত গাবলৈ ধৰিলে নিজৰ ধৰ্ম পালন কৰি
অ'কেতেকী, অ'কেতেকী, অ'কেতেকী
বসন্তৰ আগমনৰ বাৰ্তা পাই
আমি আহিছোঁ সাজি-কাচি।

ৰঙিলী বাৰ্ত্তা কৰ্ত্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-২৫ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ ড° উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286